দি চাহ আৰু বিস্কুট খাইছিলোঁ। বৰষুণ পৰিলে ৰাস্তাৰ গৰম পানীৰে খেলিছিলোঁ। কাষত আমগছৰ পৰা আম চোৰ কৰিও খাইছিলোঁ। তেতিয়া বিজুলী-বাতিৰ কথা নাছিল ; সেয়েহে গধূলি হোৱাৰ আগতে সকলো ঘৰ পাইছিলোঁ।

গোব'দোঙা বাকাৰা আছিল তেতিয়া গোটেই জাৱাপৰা ৰাইজৰ বাবে এখন চৰণীয়া পথাৰ। কাৰোবাৰ চেউৰী এজনী হেৰাল-বিচাৰি আহিলে গোব'দোঙা বাকাৰালৈ, দামুৰী এটাই শুই থাকোঁতে জাকটো ঘৰলৈ লৈ অহা হ'ল - বিচাৰি পালেগৈ গোব'দোঙা বাকৰাত। বদমাছ গাই এজনী দৌৰী সোমাল হাবিত। পিছত দেখা গ'ল পেট পুৰাই খাই উঠি গাইজনী শুই আছে গোব'দোঙা বাকৰাত। জাৱাপাৰা গাঁওৰ প্ৰতিঘৰ মানুহে যেন দিনত এবাৰ হ'লেও নাম ল'ব গোব'দোঙা বাকাৰাৰ। গৰখীয়া পূজা, 'গোপাল গোঁসাই'ৰ পূজাৰ প্ৰসাদৰ এটা ভাগ সততে গোব'দোঙা বাকাৰাত গাঁৱৰ প্ৰতিঘৰ মানুহেই আগবঢ়োৱা নিয়ম আছিল। ঘৰত পোহা শালিকী চৰাই বা মইনা চৰাইটোৱে যদি খোৱা ফৰিং শেষ কৰিলে, ফৰিং ধৰিবৰ বাবে গোব'দোঙা বাকাৰা আছিল তাৰ বাবে বিশ্বাসযোগ্য ঠাই, য'ত ফৰিঙ বিধে বিধে ভৰি আছিল। ৰবাব টেঙাৈলে ল'ৰাজাকে দৌৰ মাৰিছিল গোব'দোঙা বাকাৰালৈ আৰু মনৰ আনন্দেৰে খেলি ভাগৰি পৰিছিল। বৰষুণৰ মাজে মাজে খেলা ৰবাব টেঙাৰ ফুটবল খেল আছিল বেছি আনন্দদায়ক আৰু আকৰ্ষণীয়। কেতিয়াবা আনকি বৰষুণ পৰিলেহে ৰবাব টেঙাৰ ফুটবল খেলাৰ পৰিকল্পনা লোৱা হৈছিল।

তেতিয়া আমি (আমাৰ সমনীয়া চামটো) ৪ ৰ পৰা ৬ বছৰীয়া আছিলোঁ। তিনি-চৰিঘণ্টাৰ মূৰে মূৰে এখন বাছ বা ট্ৰাক (তেতিয়া ট্ৰাক প্ৰায়েই নাছিলেই) ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথেৰে গৈছিল আৰু আমি গাড়ীৰ শব্দ শুনিলেই বিশ-ত্ৰিশ মিটাৰ পথটোৰ পৰা দৌৰি আতৰি দিছিলোঁ। গাড়ী দেখিলেই একপ্ৰকাৰ ভয়ত শেঁতা পৰি গৈছিলোঁ। কেতিয়াবা আমি আটাইবিলাকে মিলি কোনখন গাড়ী 'মতা' আৰু কোনখন গাড়ী 'মাইকী' সেইটোক লৈও কথা কটা-কটি কৰিছিলোঁ। ৰাতিপুৱা কেতিয়াবা নতুনকৈ অহা কলেজৰ ছাত্ৰ-ছাত্ৰীক চাবলৈ ৩৭নং ৰাষ্ট্ৰীয় পথৰ কাষত বৈ আছিলোঁ আৰু প্ৰতিজন ল'ৰা-ছোৱালীৰ পিন্ধা কাপোৰ-কানি, কিতাপ লোৱা ধৰণ, খোজ-কাটলৰ ধৰণ, দেখাত কেনেকুৱা, কি নাম, বয়স ইত্যাদিবোৰ জানিবলৈ লক্ষ্য কৰিছিলোঁ। মনত আছিল অপাৰ উৎস্যুকতা। কলেজত পঢ়ে! ধেমালি কথানে? 'প্ৰফেচাৰ' সকল আছিল আমাৰ সকলোৰে আঙুলিৰ মূৰত। আনকি নামবোৰো আমি সকলোৱে মুখস্থ কৰি পেলাইছিলোঁ। তেওঁলোকক আমি ভগৱানৰ লেখিয়াকৈ ভাবিছিলোঁ আৰু বুকুত আছিল সন্মানৰ অক্ষয় ভাণ্ডাৰ। এটা কথা লক্ষ্য কৰিছিলোঁ যে প্ৰত্যেক বছৰে নতুন এছাম ছাত্ৰ-ছাত্ৰী কলেজখনলৈ আহে।

মাজে মাজে আমি বিশেষকৈ বন্ধৰ দিনত শ্ৰেণীকোঠাবোৰৰ সন্মুখত চ'ক পেন্সিল বুটলিবলৈ গৈছিলোঁ। সেইটো আমাৰ বাবে আছিল এটা ৰোমাঞ্চকৰ সময়। চ'ক পেঞ্চিলৰ সৰু টুকুৰাবোৰেৰে ডাঙৰ ডাঙৰ আখৰ লিখিব পাৰি-যিটো আছিল আমাৰ বাবে আমোদজনক কথা। কাৰণ স্কুলত ব্যৱহাৰ কৰা পেঞ্চিলবোৰ আছিল তেনেই সৰু আৰু আমাৰ অকণি অকণি হাতবোৰেৰে ইমান ডাঙৰ আখৰ লিখাটো সম্ভৱ নাছিল অথবা তেনে ডাঙৰ আখৰ লিখিব পৰা কথা মনলৈ অহা নাছিল। কলেজলৈ গ'লে আমি প্ৰায়েই মূল পথ অৰ্থাৎ ৩৭নং পথেৰেহে কলেজত আৰু গোব'দোঙা বাকাৰাত সোমাইছিলোঁ। কাৰণ কলেজৰ চাৰিওকাষ আছিল অটব্য হাবি। কেতিয়াবা ফাগুন, চ'ত মাহত আমিবোৰে জাকপাতি কলেজ পাইছিলোঁ- যদিও হাবিৰ পৰাই সততে ওলাই থকা শিয়ালৰ ভয় আছিল। আনকি ঠাণ্ডাৰ মাহবোৰত কলেজৰ পিছফালৰ হাবিত প্ৰত্যেক বছৰে ভালুক ওলাইছিল। তেতিয়া কোৱা শুনিছিলোঁ হাবিখনত শহা, শিয়াল, হাঁপা, সাপ, শ'ৰালি, ভাটো, মইনা আৰু বিবিধ চৰাইৰে ভৰি আছিল। বন গাহৰি, কুকুৰা, আদিও উভৈনদী হৈ থকা আমি জানিছিলোঁ আৰু দেখিছিলোঁ।

মহাবিদ্যালয় সপ্তাহ পাতিলে যেতিয়া বিভিন্ন খেল-ধেমালিৰ আয়োজন কৰা হৈছিল তেতিয়া আমিবোৰে জাকে জাকে খেল চাবলৈ গৈছিলোঁ। খেলি থকা সামগ্ৰীয়ে খুন্দিয়াব পাৰে নতুবা খেলাত অসুবিধাৰ সৃষ্টি কৰিব পাৰে বুলি ভাবি আমি বহু দূৰৈত থাকিহে খেল চাইছিলোঁ। কেতিয়াবা বহুদূৰলৈ ফুটবলটো বা ভলীবলটো গুচি গ'লে আমাৰ মাজত বলটো কোনে আগতে আনি দিব পাৰে- তাকলৈ প্ৰতিযোগিতা হৈছিল। সাংস্কৃতিক অনুষ্ঠানবোৰ আমৰ বাবে আছিল অতি ৰোমাঞ্চকৰ। তেতিয়া মূল বাদ্য আছিল হাৰমণিয়াম আৰু তবলা, লোকগীতত দোতোৰা, খঞ্জুৰী, তাল, বাহৰ ঠৰকা ইত্যাদি। কোনোবাই গীত গালে মন দি শুনিছিলোঁ আৰু সুৰটো মনত ৰাখিছিলোঁ। তাৰ পিছত আৰম্ভ হৈছিল গুণ-গুণাই সেই সুৰটো মুখস্থ কৰা। ভাল লগা গান হ'লে সদায় গাবলৈ বা সুৰটো হুবহু নকল কৰিবলৈ যত্নৰ ত্ৰুটি কৰা নহৈছিল। নিশা নাটক চাবলৈ যোৱাটো আছিল

অতি ৰোমাঞ্চকৰ অভিজ্ঞতা।

ৰাতি গীত-মাতৰ লগতে একক আধুনিক নৃত্য আৰু একাঙ্কিকা নাটৰো আয়োজন কৰা হৈছিল। তেতিয়া পুৰণি কলেজখনৰ যিখন বাৰান্দা আছে সেইখিনিক দৰ্শকক বহাৰ বাবে এৰি দিয়া হৈছিল আৰু বাৰাণ্ডাৰ পূৱদিশে মঞ্চখনি তৈয়াৰ কৰা হৈছিল। ৰাতি ১০-১১ বজালৈকে আমি তেনেদৰে সাংস্কৃতিক কাৰ্যসূচীবোৰ উপভোগ কৰিছিলোঁ। আমাৰ শিশু মনত প্ৰতিটো গীত-নাটৰ দৃশ্য, সুৰ আদিয়ে ৰেখাপাত কৰিছিল।

পুৰণি কলেজখনৰ পূব ফালে যিখিনি ডাঠ হাবি আছিল সেইখিনিৰ নাম হ'ল 'গাৰো-বুঢ়া'। কলেজখনৰ পিছফালৰ হাবিডোখৰক কোৱা হৈছিল 'ছাল-খোৱা'। ছাল-খোৱা হাবিডোখৰ বুলিলে আমাৰ ভয়ত হাত-ভৰি লুকাইছিল। ইয়াৰ মাজভাগত আছিল মৰিশালী। সেইটোৱে হাবিখনক যেন অধিক জয়াল কৰি তুলিছিল। গাৰোবুঢ়াৰ মাজেদি এটা লুঙুলুঙীয়া বাট আছিল আৰু এই বাটটোৰে আমি কলেজৰ পুৰণি ঘৰটোত ওলাইছিলোঁহি। কলেজ-ফিল্ডৰ গাতে লাগি আছিল সেই অংশটো- য'ত কলেজখনৰ বাবে ইটা পোৰা হৈছিল। ইকৰাৰ ডাঙৰ চুবা এটা ইয়াতে আছিল-য'ত টুনী চৰাইৰ ডাঙৰ ডাঙৰ জাক আহি কোৰ্হাল কৰিছিল। কাষতে আছিল এটা খেৰী ঘৰ আৰু এই ঘৰটোতে সেই সময়ৰ দুজনমান কৰ্মচাৰী আছিল। পানীৰ বাবে আছিল এটা দমকল। ইয়াৰ কাষেদিয়ে আমি পুৰণি কলেজঘৰটোলৈ চক্‌পেঞ্চিল বুটলিবলৈ গৈছিলোঁ। এই চক্‌পেঞ্চিলেৰে ডাঙৰ ডাঙৰকৈ অ'ত-ত'ত অ, আ, ক, খ লিখি ফুৰিছিলোঁ। পেঞ্চিল বুটলি ঘৰলৈ 'গাৰো বুঢ়া'ৰ লুঙুলুঙীয়া বাটটোৰে ঘৰমুৱা হৈছিলোঁ। বাটটোৰ দুয়োকাষে ভৰি আছিল নোদোকা আৰু কোমল শালগছৰ পুলিবোৰ। খৰালি দিনত এইবোৰ ঠাইতে আমি 'দাড়ি' মাৰি চৰাই ধৰিছিলোঁ, যিটো আছিল আমাৰ বাবে খুবেই শিহৰণকাৰী।

নতুন কলেজখনৰ পূৱফালে যিখন ফুটবল পথাৰ, তাৰ মাজেদি আনি গাঁৱৰ গৰুবোৰ চৰাবলৈ ছালখোৱা হাবিত মেলি দিয়া হৈছিল। ছালখোৱা আছিল এখন ডাঠ হাবি। হেলচ্‌ টেঙাৰ নোদোকা জোপোহা, বন-বগৰীৰ গছ, চিনাকি-অচিনাকি অলেখ জোপোহা, কেতুৰী আদিৰ লগতে আছিল অজস্ৰ ফৰিং আৰু পখিলাৰ বাসস্থান। হেলচ্‌ টেঙাবোৰ আলফুলকৈ চিঙি আনি শাল গছৰ পাতেৰে ঠোঙা(মোনা) বনাইছিলোঁ আৰু তাত জলকীয়া সনা নিমখ মিহলাই টেঙা খোৱাৰ জুতি লৈছিলোঁ। মাজে মাজে কলেজখনৰ বাৰাণ্ডাখনত জিৰণি লৈছিলোঁ, মাৰ্বল খেলিছিলোঁ আৰু সৰু সৰু গুটিৰ চকৰি ঘূৰাইছিলোঁ। কলেজৰ কাষতে থকা পথাৰত পৰিস্কাৰ পানীৰ নিজৰাও আছিল, তাৰ পানী খোৱাটো আমাৰ এটা লেখত ল'বলগীয়া খেল আছিল। কোনে আগতেগৈ নিজৰাৰ পানী খাব পাৰে। মুগাখোল পাহাৰৰ ওচৰত বহুকেইডাল আমগছ আছিল। সেইবোৰ আম পাৰিবলৈ যাওঁতে কলেজখনৰ বাৰাণ্ডাত আমি বহি-মেলি মেল মৰা আৰু ভাগৰ মৰাটো আছিল বছৰটোৰ 'পৰ্ব'ৰ দৰে। গাঁওৰ মানুহখিনিৰ মাজত কলেজৰ কথা দিনটোত এবাৰ হ'লেও ওলাবই। তেতিয়ালৈ কলেজত বিজুলী-বাতিৰ ব্যৱস্থা নাছিল। অফিচ ঘৰৰ পৰা পুৰণি কলেজ ঘৰলৈ মাটি তুলি বনোৱা পথ এটা আছিল। তেনেদৰে পুৰণি কলেজখনৰ আগফালত বেড্‌মিণ্টন আৰু ভলীবল খেলাৰ খুটি লগোৱা হৈছিল।

অফিচৰ ওচৰতে নতুন কলেজখনে গঢ় ল'লে। এয়া ত্ৰিশ বছৰ অৰ্থাৎ ১৯৮০-৮১ ইং চনৰ কথা। দেখাত কলেজৰ পৰিসৰ বাঢ়িল। ল'ৰা-ছোৱালীৰ সংখ্যা লাহে লাহে বৃদ্ধি পাবলৈ ধৰিলে। পূবত, পুখুৰীৰ পাৰত সজা হ'ল পুথিভঁৰালটো (১৯৯১ চনৰ ঘূৰ্ণি বতাহত এই পুথিভঁৰালটো ভাঙি-ছিঙি ধ্বংস হয়।) সমসাময়িক কালতেই মই এইখন কলেজত নামভৰ্ত্তি কৰিছিলোঁ। সেই সময়তো ছাত্ৰ-ছাত্ৰী বৰ বেছি সংখ্যক নাছিল। শৈশৱৰ পৰা দেখি অহা শ্ৰদ্ধাৰ অধ্যাপক সকলৰ অৱসৰৰ সময় হ'ল। এই প্ৰসংগতে তেওঁলোক সকলোলৈকে মই আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ। শৈশৱতে দেখা বহুতো ছাত্ৰ-ছাত্ৰী বৰ্তমান বুঢ়া হোৱা, অৱসৰ লোৱা আৰু স্বৰ্গগামী হোৱাও দেখিলোঁ। তেওঁলোকলৈও মই শ্ৰদ্ধাৰে সুঁৱৰিলোঁ। একে সময়তে গোব'ডোঙা বাকৰাৰ সেই পূৰ্বৰ সৌন্দৰ্য, প্ৰাকৃতিক অলঙ্কাৰবোৰ যেন এটা এটাকৈ হেৰুৱাবলৈ আৰম্ভ কৰিছিল। ধ্বংস কৰা হৈছিল হাজাৰ হাজাৰ বিশাল শালগছবোৰ। সেইবোৰ কাটি মেলি তহিলং কৰা হ'ল। গাৰোবুঢ়া আৰু 'ছালখোৱা' ই হেৰুৱাই পেলালে 'সকলোখিনি'। স্মৃতিৰ মণিকোঠাত ৰৈ গ'ল মাথোন অতীতৰ সেই জয়াল সৌন্দৰ্য আৰু সৃষ্টিৰ নন্দন-কাননৰ দৰে সৌষ্ঠৱৰ তেজাল আৰু দগমগীয়া সুবাস। হিয়াভগা হুমুনিয়াহে যেন আজিও হৃদয় তোলপাৰ লগাই সেই কথাবোৰে সজীৱ কৰি ৰাখিছে মনৰ গহন বনত। বগলী, হাড়গিলা, মইনা, ভাটৌ, ফেঁচা, শেন, কপৌ, শালিকা, দহিকতৰা আদিৰ ৰম্যভূমি চালখোৱা হাবিৰ বিলুপ্তি ঘটিল। লগতে গোব'দোঙা বাকৰাইও যেন হেৰুৱালে ইয়াৰ নিজস্বতা, স্বকীয়তা, সৌন্দৰ্য আৰু অপৰূপ সৌষ্ঠৱ। সাক্ষী হৈ ৰ'ল ধ্বংসৰ অন্য এটা ৰূপকথাৰ।

প্ৰাক্তন ছাত্ৰ-ছাত্ৰী হিচাপত বহুত কম আছিল যদিও কিমান আছিল আমাৰ বাবে জনাটো সম্ভৱ নাছিল। আমি সকলোৱে, আনকি গাৱঁৰ জীয়ৰী-বোৱাৰীসকলেও নানা আলোচনা কৰাৰ পৰা জানিছিলোঁ যে বকোৰ বৃহত্তৰ ৰাইজে মিলি কলেজখন গঢ়াত প্ৰভূত অৰিহণা যোগাইছিল। কিন্তু সেই সময়ত বকো অঞ্চলকে সামৰি এই বৃহত্তৰ অঞ্চলটোত কলেজত নাম ভৰ্ত্তি কৰিবলগীয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নগণ্য আছিল। কিছু সংখ্যকৰ আকৌ নানা অভাৱ, অসুবিধাৰ বাবে মেট্ৰিক পৰীক্ষা পাচ কৰাৰ পিছতেই কলেজত পঢ়াতো অসম্ভৱ আছিল। সেই সময়ত বকো কলেজত ইংৰাজী মাধ্যমত পঢ়িবলগীয়া হোৱাটোও অসুবিধাৰ সৃষ্টি কৰিছিল বুলি শুনিছিলোঁ। প্ৰত্যেকজন ল'ৰা-ছোৱালীকে আমি লক্ষ্য কৰিছিলোঁ আৰু কোনে কিমান ভাল ৰিজাল্ট কৰিছিল বা পঢ়া-শুনাত ভাল বুলি কোনজন ছাত্ৰ বা ছাত্ৰীয়ে খ্যাতি অৰ্জন কৰিছিল, তেওঁলোকে কেনেকৈ কিতাপ পঢ়ে, কেনেকৈ কথা কয়, বন্ধু-বান্ধৱীৰ সৈতে মিলামিলি কৰেনে নকৰে, নে কেৱল পঢ়িয়েই থাকে, খেল-ধেমালিত কিমান ভাল বা বেয়া, অথবা কোনে কি গান গায় নে নাটকত অভিনয় কৰে ইত্যাদি কথাবোৰ আমি সূক্ষ্মভাৱে লক্ষ্য কৰিছিলোঁ। মাননীয় অধ্যাপকসকলক দেখিলে দৌৰি পলাইছিলোঁ। কাৰণটো হ'ল-আমাৰ দৰে লেতেৰা, নপঢ়া ল'ৰা-ছোৱালী দেখিলে তেওঁলোকে বা কি ভাবিব? ধমকিয়ে দিয়ে যদি! গতিকে দূৰতে বিদূৰ হৈছিলোঁ।

আমি কেইজনমান ল'ৰা-ছোৱালী মিলি ৰাস্তাৰ কাষত কেৱল কলেজত পঢ়া ল'ৰা-ছোৱালী চাবলৈ পুৱা অথবা আবেলি ৰৈ আছিলোঁ আৰু এনেদৰে আমিও কলেজত পঢ়িব পাৰিম নে নোৱাৰিম তাকলৈও যথেষ্ট চিন্তা চৰ্চা কৰিছিলোঁ। মানটোক নানা ধৰণৰ উগুল-থুগুল ভাৱে অস্থিৰ কৰি তুলিছিল। তেতিয়াৰ এটা প্ৰধান লক্ষ্য কৰিবলগীয়া বিষয় আছিল আৰু সেয়া হ'ল, তেতিয়াৰ দিনত সকলোৱে খোজ কাঢ়ি অহা-যোৱা কৰাটো। গাড়ীতো নাছিলেই, আনকি চাইকেলৰ সংখ্যাও লেখিব পৰা আছিল। যিসকলৰ চাইকেল আৰু ৰেডিঅ' আছিল, তেওঁলোকক একপ্ৰকাৰ ধনী মানুহ বুলিয়েই গণ্য কৰা হৈছিল। গতিকে কলেজত পঢ়িবলৈ অহাসকলে বকোৰ আশে-পাশে ঘৰ ভাড়া কৰি পঢ়া-শুনা কৰিবলগা হৈছিল। এইবোৰৰ বাহিৰেও আমি মুখৰোচক কাহিনী হিচাপে বহুতো ছাত্ৰ-ছাত্ৰীৰ মাজত হিয়া দিয়া-নিয়াৰ কথাও শুনিছিলোঁ। পুৰণি কলেজখনত পঢ়া-শুনা কৰি থকা একাধিক ছাত্ৰ-ছাত্ৰীৰ প্ৰেমৰ যুটিৰ কাহিনী আমি জানিছিলোঁ। (পিছলৈ তেওঁলোকৰ প্ৰেমৰ পৰিণতিৰ বিষয়ে একো নজনালৈ থাকিলো।)

ছাত্ৰ একতা সভাত 'সম্পাদকীয় পাঠ'ৰ লেখিয়া পাঠ কৰা দেখাৰ সৌভাগ্য আমাৰ একাধিকবাৰ হৈছিল। সেইবোৰ দেখি ভৱিষ্যতে এনেকৈ কিবা পাঠ কৰিব পৰাকৈ যাতে কলেজত পঢ়িব পাৰোঁ- তাৰ বাবে মনত দুৰ্বাৰ হেঁপাহৰ গজালি মেলিছিল। এটা কথা সততে লক্ষ্য কৰিছিলোঁ যে -সেই কালত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত যথেষ্ট নিবিড় সম্পৰ্ক বজাই ৰখা হৈছিল। শিক্ষকসকলক সকলো সময়তে প্ৰচুৰ সমীহ কৰা হৈছিল আৰু সন্মান সহকাৰে কথা-বতৰা পতা হৈছিল। কিতাপ লৈ কলেজঘৰৰ অ'ত ত'ত বা অফিচঘৰৰ পৰা অহাৰ পথত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ কিবা এটাৰ ওপৰত আন্তৰিকতাৰে আলাপ-আলোচনা কৰা দেখা পাইছিলোঁ। সেইবোৰ আমি বৰ মনোযোগেৰে লক্ষ্য কৰিছিলোঁ আৰু তেনে কৰাৰ কল্পনা কৰিছিলোঁ। কিতাপবোৰৰ আকাৰ চোৱাটো আৰু সেই বিষয়ে আলোচনা কৰাটো আমাৰ মাজত এটা অভ্যাসেই হৈ উঠিছিল। বিষয়বস্তুৰ বিষয়ে কোনো ধৰণা নাছিল যদিও সেইবোৰ যে মূল্যবান হ'ব তাত আমাৰ কোনো সন্দেহ নাছিল।

সময় হ'ল ব্ৰহ্মাণ্ডৰ মূল নিয়ন্তা আৰু পৰম শক্তি স্বৰূপ। কালৰ গতিত এই লিখনি লিখা সময়ত নিজেই পঞ্চাশ বছৰীয়া হলোঁ। কেঁচুৱা ডেকা হ'ল, ডেকা বুঢ়া হ'ল, বুঢ়াবোৰ ঢুকাই থাকিল। ৰহস্যময় ব্ৰহ্মাণ্ডৰ বুকুত হেৰাই গ'ল সময়ৰ ক্ষণবোৰ। গোব'দোঙা বাকাৰা গুচি জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ মাটি হ'ল, অসংখ্য প্ৰজাতিৰ ফৰিংবোৰৰ কিছুমান হেৰাই গ'ল, লোপ পালে। 'গাৰোবুঢ়া' বুলি হাবি নোহোৱা হ'ল। হাজাৰ হাজাৰ বিশাল শালগছেৰে ভৰি থকা 'ছালখোৱা' হাবিত শালগছৰ পুলিটোও এতিয়া পাবলৈ নোহোৱাৰ দৰে হৈ পৰিল। খেৰনি, ইকৰাৰে ভৰি থকা ছালখোৱাৰ বুকু আজি খালী, নিঃস্ব, নীৰৱ। ক'লৈ গ'ল শিয়াল, হাঁপা, শহা, এন্দুৰ, অসংখ্য চৰাইৰ ঘৰ-বিশাল শালনিবাৰী, গছ, লতিকা, ভোমোৰা, পৰুৱা, জোক, সাপ, ভেকুলী আদিৰে গিজগিজাই থকা কলেজৰ চৌপাশ। ক'ত হেৰাল নন্দন কাননৰ দৰে গজি থকা হেলচৰ জোপোহাবোৰ, কেতুৰিবোৰ আৰু দীঘল দীঘল ঘাঁহবোৰ? কেনেকৈ নোহোৱা হ'ল নিৰ্মল পৱিত্ৰ বতাহৰ সুবাসখিনি?

গোব'দোঙা বাকাৰাত লাহে লাহে ঘৰবোৰ এটাৰ পিছত এটাকৈ মূৰ দাঙি উঠিল। পুখুৰী খন্দোৱা হ'ল। কাজিলিভুঁই দলঙৰ ঠাইত পাইপ লগোৱা হ'ল। কলেজৰ ঘৰৰ সংখ্যাৰ

লগতে ছাত্ৰ-ছাত্ৰী, শিক্ষকৰ সংখ্যা বাঢ়িল। বিষয় বাঢ়িল। অফিচৰ পৰিসৰ বৃদ্ধি পালে। নিয়ম সলনি হ'ল। পুলি ইউকেলিপ্টাছডাল ডাঙৰ-দীঘল হ'ল। টেকন'লজিয়ে সকলো বিষয় আৰু কামতে শোভা বঢ়ালে। সকলো ছাত্ৰ-ছাত্ৰীয়ে এতিয়া বিভিন্ন ধৰণৰ সা-সুবিধা লাভ কৰিলে। পাঠ্যপুঠি সলনি হ'ল, দৃষ্টিভংগীও সলনি হ'ল, পঢ়াৰ ধৰণ আৰু কামৰ ধৰণ সলনি হ'ল। শ্বাস্বত আৰু প্ৰকৃতিৰ চিৰন্তন ধৰ্ম অনুসৰণ কৰাৰ লগতে পৰিবৰ্ত্তন আমি আদৰিবই লাগিব আৰু তাক গ্ৰহণ কৰি নিজৰ নিয়ন্ত্ৰণত ৰাখিব লাগিব। সকলো পৰিৱৰ্তন হ'ব লাগে হিতৰ বাবে। এতিয়ালৈকে পৰিৱৰ্ত্তনৰ এই মহাযাত্ৰাত কিমান গোব'দোঙা বাকৰা হেৰাই গ'ল অথবা আগলৈ ি:চিহ্ন হৈ যাব তাক সময়েহে ক'ব পাৰিব। কোনেও নাজানিব সেইবোৰ গোব'দোঙা বাকৰাৰ বিলুপ্তিৰ হুমুনিয়াহ আৰু কৰুণ গাথা। পৰিৱৰ্তন আৰু সভ্যতাৰ বিবৰ্তনৰ কালচক্ৰত মৰহি যাব পুৰুষৰ পিছত পুৰুষৰ জীয়াই থকা সংগ্ৰামৰ ভাগৰুৱা অৱশিষ্ট মাথোন।

❀❀❀

# সোঁৱৰণিৰ প্ৰেক্ষাপট

বুলুৰাণী দাস
প্ৰাক্তন ছাত্ৰী

সেইদিনা আছিল ১৯৮২ চনৰ জুন মাহৰ ২৩ তাৰিখ। এই চিৰস্মৰণীয় দিনটোত মই বহু কষ্টৰে মেট্ৰিক পাছ কৰি অদম্য হেঁপাহ আৰু স্বপ্ননীল আশা বুকুত বান্ধি লৈ বকো 'জৱাহৰলাল নেহৰু কলেজত' নাম ভৰ্ত্তি কৰিবলৈ গৈছিলোঁ মহেন্দ্ৰ দাদাৰ সৈতে। গাড়ীৰ পৰা নামি গেটত মহাবিদ্যালয় শব্দটো দেখি ভাষাৰে বুজাব নোৱাৰাকৈ ভাল লাগিছিল, কঁপি উঠিছিল বুকুখন দুৰু দুৰু কৈ। কিছু ভয় আৰু শংকাৰ দোমোজাত পৰিছিলোঁ যদিও বহুতো ন-পুৰনি বন্ধু-বান্ধবী লগ পাই আৰু তেওঁলোকৰ সঁহাৰি সুলভ মৰম পাই সকলোবোৰ পাহৰি গৈছিলোঁ। দিনৰ দহ বজাৰ পৰা এটা ডাঙৰ কোঠাত মাননীয় Principal Sir আৰু Professor সকলে এজন এজন এজনকৈ মাতি নাম ভৰ্ত্তি কৰি মোৰ জীৱনলৈ আশাৰ বতৰা কঢ়িয়াই অনা যেন লাগিছিল। এনেদৰে পাৰ হৈছিল First day at my college।

২ আগষ্টৰ পৰা মহাবিদ্যালয়ৰ শ্ৰেণীৰ অৰ্থাৎ P.U. First year ৰ পাঠ আৰম্ভ হয়। তেতিয়াৰ দিনত মেখেলা-চাঁদৰ পিন্ধি কলেজলৈ যাব লাগে। কলেজত হেনো ৰেগিং কৰে। বাছত যাওঁতে কলেজত ৰেগিং যাতে নকৰে তাকে ভগৱানক প্ৰাৰ্থনা কৰি যাওঁ। কিন্তু 'য'তে বাঘৰ ভয় ত'তে ৰাতি হয়' বুলি এষাৰ কথা আছে। মোৰো সেয়াই গতি হ'ল। দুদিনমান ক্লাছ কাৰিলোঁ মাত্ৰ ৰেগিঙৰ পালত পৰিলোঁ। Political Science -অৰ মাননীয় প্ৰয়াতদীনেশ শৰ্মা ছাৰৰ ক্লাছ কৰি থাকোঁতে এজন ল'ৰাই মোক মাতি লৈ গ'ল। ছাৰৰ Class কৰি বৰ ভাল পাওঁ। তথাপিও বাৰে বাৰে কৰা অনুৰোধৰ বাবে যাব লগা হ'ল। বহুত কেইজন ল'ৰাই মোক আগুৰি ধৰি চিনাকি হৈছিল। তেওঁলোকৰ ভিতৰত আছিল ধীৰেন চৌধুৰী, কমল পাঠক, গনেশ কলিতা, অবনী অধিকাৰী, সিদ্ধেশ্বৰ ৰাভা আদি দাদাসকল। তেওঁলোকে ভালদৰে কথবোৰ সুধিছিল যদিও মইহে ভয় কৰি আছিলোঁ বুলি এতিয়া ভাব হয়। সি যি কি নহওঁক, ভাল ধৰণে ল'ব জানিলে বহুত কথাই ভাল হৈ পৰে। চিনাকিৰ জৰিয়তে তেওঁলোকে মোক অশেষ মৰম কৰিছিল আৰু কলেজত থকা দিন কেইটাত পদে পদে পথ প্ৰদৰ্শক হৈ পৰিছিল।

মহাবিদ্যালয়ত মহান দিনবোৰ আহি থাকোঁতে বাতৰি কাকত যোগে সংবাদ পালো যে নাৰ্চৰ চাকৰি ওলাইছে। সাক্ষাৎকাৰ দি প্ৰশিক্ষণ দিবলৈ সুবিধা পালোঁ। কিন্তু পঢ়াৰ ধাউতি থকাৰ বাবে প্ৰশিক্ষণৰ পৰা গুচি আহি আকৌ কলেজলৈ যাব ধৰিলোঁ। কলেজত মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। ক্ৰীড়া আৰু অভিনয় আছিল মোৰ অতি প্ৰিয়। খেলৰ প্ৰতিযোগিতাবিলাকত ময়েই প্ৰথম পুৰস্কাৰবিলাক বেছিভাগে

বুটলিবলৈ সক্ষম হৈছিলোঁ। কিন্তু এটা কথা ভাবি বৰ ভাল লাগে যে কেনেকুৱা খেল যেতিয়া মই আৰু মোৰ সহপাঠী নীলিমা বেগমে খেলিব লৈছিলোঁ তেতিয়া বিচাৰকসকলে বিচাৰক হ'বলৈ টান পাইছিল। কাৰণ আমাৰ দুয়োৰে খেল শেষ নহয় হে নহয় বহুত পলম লাগিছিল। গৈ গৈ ছোৱালীৰ কেৰমত আমিয়ে জয়ী হৈছিলোঁ। ইয়াৰ উপৰিও আকস্মিক বক্তৃতা আৰু তৰ্ক, কুইজ প্ৰতিযোগিতা আদিতো প্ৰথম পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলোঁ। গীত-মাত, খেলা-ধুলা, নাটক আদিৰ মাজেৰে মহাবিদ্যালয় সপ্তাহৰ দিন কেইটা অতি আনন্দৰ পাৰ হৈছিল। P.U. First year অত Best খেলুৱৈৰ সন্মান পাবলৈ সক্ষম হৈছিলোঁ। আমাৰ Principal Sir J. C. Nathদেবে প্ৰত্যেক পুৰস্কাৰতে কিতাপ দিবলৈ অনুমতি দিছিল। সেয়ে তেওক বৰ ভাল পাইছিলোঁ। মুকলি সভাৰ শেষৰ দিনা কিতাপ এবোজা লৈ ঘৰমুখী হৈছিলোঁ।

P.U. 2nd year, তেতিয়া আমাৰ তথা বন্ধু-বান্ধৱীৰ সাহস অলপ বাঢ়িল। সেই বছৰ মাজে সময়ে চাহ খাবলৈ হাহিম চ'কত গৈছিলোঁ। যিদিনা দেৰি হয় আৰু অনুপস্থিত থাকোঁ সেই দিনা খনা চৌধুৰীক উপস্থিত দিবলৈ কৈছিলোঁ। পৰিলোঁ এদিন ধৰা। Economics ৰ পাটোৱাৰী ছাৰ নম্ৰ বুলি ভাবোঁতেই তেওৰ হাতত ধৰা পৰি কিছু গালি খাইছিলোঁ। এইবিলাক কথা সোঁৱৰণ কৰিলে লাজ লাগে যদিও ভালও লাগে। এনেদৰে ২ য় বৰ্ষ চলি থাকিল। আহিল আকৌ মহাবিদ্যালয় সপ্তাহ এইবাৰো মই Best Lady Atheletic হবলৈ পাৰিছিলোঁ। তেতিয়া মোক সকলোয়ে মৰমৰ চকুৰে চাইছিল। কুইজ, তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, ভেশচন, চিলাই আদিত পুৰস্কাৰ পাইছিলোঁ। এইবাৰ ধীৰেন দাদাৰ কাপোৰ পিন্ধি ভেশচন আগবঢ়াইছিলোঁ। তেতিয়াৰ প্ৰতিযোগিতাত মোক সহায় কৰিছিল মোৰ সহপাঠী মলয়া কলিতা, খনা চৌধুৰী, নীলিমা বেগম,পৱনেশ্বৰী বড়ো, অমিয়া নাৰ্জাৰী আদিয়ে। আমি এটা Best team আছিলোঁ। সঁচাকৈ সেইবোৰ দিন আকৌ ঘূৰি আহিবনে? ভাবিলে নিজেই আনন্দ লাভ কৰোঁ। মোৰ বন্ধু জয়ন্ত চৌধুৰী, ধীৰাজ তামুলী,মতিলাল ৰাভা,ক্ষীৰোদ ঠাকুৰীয়া, বিৰিঞ্চি ৰাভা, মহানন্দ কলিতা, নমিতা, কনমাই, জয়ন্ত চৌধুৰী , অঞ্জলি দাস, চাজিদা চুলতানা (সকলোবোৰ বন্ধু-বান্ধৱীৰ নাম দিব নোৱাৰাৰ বাবে ক্ষমা প্ৰাৰ্থী)। জয়ন্ত চৌধুৰী আৰু ধীৰাজ তামুলী এওঁলোক আছিল গানৰ প্ৰতিযোগী। কিন্তু আমাক আন আন প্ৰতিযোগিতা বা কামত যথেষ্ট সহায় কৰিছিল। এই চেগতে তেওঁলোকলৈ মই কৃতজ্ঞতা যাচিছোঁ। এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব নিশ্চয়, আমাৰ দিনত কলেজত সকলো প্ৰতিযোগিতা দিনৰ ভাগতে শেষ হৈছিল। সেয়েহে আমি দুৰৈৰ পৰা যোৱা সত্বেও সকলো কামতে বা প্ৰতিযোগিতাতে ভাগ লব পাৰিছিলোঁ। কিন্তু আজি কালি প্ৰতিযোগিতাবোৰ বেছিভাগে ৰাতি হোৱা দেখিবলৈ পাওঁ। অসুবিধা নহয়নে বাৰু? এটা কথা নকলে নোৱাৰোঁ যে গাড়ীৰ অসুবিধাৰ বাবে আমাৰ অলপ দেৰি হ'লে বকোৰ বন্ধুৰ বাহিৰেও বকো বজাৰৰ আহঁতৰ তলত Pharmacy দিয়া শ্ৰদ্ধাৰ প্ৰয়াত হনুমান দত্ত শৰ্মাই দোকান বন্ধ কৰি হ'লেও আমাৰ বাবে বৈ আমাক গাড়ীত তুলি দিছিল। তেওঁলৈ মই এই সুযোগ পাওঁতে ভগৱানৰ ওচৰত অশ্ৰুসিক্ত নয়নেৰে আত্মাই শান্তি লাভ কৰাৰ বাবে প্ৰনিপাত যাচিলোঁ।

P.U. ভালদৰে পাচ কৰি T.D.C. ত নামভৰ্তি কৰিলোঁ। আমাৰ বছৰত B.A. লোপ পোৱাত অৰ্থাৎ দুবছৰৰ ঠাইত আমি তিনি বছৰ পঢ়িব লগা হৈছিল। মোৰ আশা আছিল History বিষয়টোত Major লোৱাৰ। History অৰ ছাৰ দ্বীজেন দাস আৰু লক্ষী শৰ্মা চাৰক বৰ ভাল পাইছিলোঁ। কিন্তু কলেজত বুৰঞ্জী বিষয়টোত Major নথকাত Assamese তে Major লৈ পঢ়িব লগা হ'ল। শ্ৰেণীত আমাৰ বেছ জমিছিল। Majorলোৱা ছাত্ৰ-ছাত্ৰী কম হোৱা বাবে ছাৰসকলৰ লগত বন্ধুৰ দৰে হৈ পৰিছিলোঁ। মাননীয় বসন্ত দত্ত, খগেশ সেন ডেকা, প্ৰয়াত মদন কাকতি ছাৰৰ লগত পঢ়োৱাৰ উপৰিও কিছুমান ঘৰুৱা তথা বাহিৰা কথাৰ জৰিয়তে অতিকৈ ওচৰ তথা মধুৰ সম্বন্ধ হৈ পৰিছিল। মুঠতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মৰমৰ এনাজৰীডাল কটকটীয়া আছিল। সেইবোৰ মনত পৰিলে আজিকালিৰ T.V. ত যিবোৰ ঘটনা দেখা পাওঁ ভাবিলেই আচৰিতেই লাগে। আমাৰ শ্ৰদ্ধা ভক্তি আৰু তেওঁলোকৰ মৰম, সহানুভূতিবোৰ পৱিত্ৰ আছিল। T.D.C.1st year ৰ class চলি থাকোঁতেই ভোটৰ কথা আহি পৰিল। মই হেনো Girls common Room অৰ সম্পাদিকা হ'ব লাগে। মই সম্পাদিকা হ'লে হেনো কোনো ছোৱালীয়ে প্ৰতিদন্দ্বতা নকৰে বুলিও ক'লে। কিন্তু বিশেষ কাৰণত মই কেইদিনমান কলেজত যাব নোৱাৰাৰ বাবে মোৰ Nomination অৰ কাম মোৰ ভাইটি, দীপক ৰয়,দীপক কুমাৰ,পৰিমল ৰয় ইত্যাদি সকলে কৰি থৈছিল। মই মাত্ৰ চহীটো কৰিছিলোঁ। তেওঁলোকলৈ মই কৃতজ্ঞতা যাচিছোঁ। সম্পাদিকা হোৱাৰ পিছতো বন্ধু-বান্ধৱীৰ লগতে তেওঁলোকেও মোক পদে পদে সহায়ৰ হাত

আগবঢ়াইছিল।

Girls common Room অৰ সম্পাদিকা হৈ ছোৱালীবিলাকৰ বহা আসন ৰুম হোৱা বাবে G.S. ক্ষীৰোদ শৰ্মাৰ লগত আলোচনা কৰি ডেস্ক-বেঞ্চ দুযোৰ কৰিলোঁ। আহি পালে মহাবিদ্যালয় সপ্তাহ, এফালে নিজে খেলা খেলোঁ। আনফালে খেলাও চলাব লাগে। কষ্ট হৈছিল যদিও সকলোৰে সহায় সহযোগিতাত সকলোবোৰ কাম সুচাৰুৰূপে চলাববৈলে যত্নপৰ হোৱা যেন লাগিছিল। অৱশ্য কিমানদুৰ সফল হৈছিলোঁ কলেজৰ কৰ্মকৰ্তা সকলোহে জানিব। যিয়েই নহওক, এইখিনিতে এটা ঘটনা নিলিখিলে নিশ্চয় আধৰুৱা হৈ ৰ'ব । খেলৰ সম্পাদক (নাৰ্জাৰীয়ে) খেল চলাইছিল। প্ৰয়াত কাকতি ছাৰে মোক, ৰীতা বসাক, অমিয় নাৰ্জাৰী আৰু যুথিকা চৌধুৰীক খেল খেলিববৈলে পিছতহে যাব দিছিল। কাৰণ আমি প্ৰতিযোগিতালৈ গ'লে বাকীবোৰে খেলিব নাযায়। ৰীতা আৰু মই বহু দুৰত গল্প কৰি আছিলোঁ। এনেতে জেভেলিন থ্ৰোৰ খেল চলি থাকোঁতে কোনোবা ছোৱালীয়ে জেভিলিনথ্ৰো মাৰি দিয়াত ওলোটাকৈ গতি কৰি মোৰ দুভৰিৰ মাজেদি জেভলিনথ্ৰো পাত সোমাই গৈছিল । তৎসত্বেও আমি পিছত খেলিব গৈছিলোঁ আৰু খেলত মই ২ য় হৈছিলোঁ। সেইখিনি সময় মই ক'ব নোৱাৰাকৈ সকলোৰে নীৰৱ হৈ চাই আছিল আৰু মইও ভয় কৰা নাছিলোঁ। কিন্তু খেলি উঠি আৰু সকলো সা-সঁজুলি সামৰি থৈ বকোলৈ বজাৰত বাছত উঠিববৈলে যাওঁতে প্ৰয়াত ছাৰ হনুমান দত্ত চৌধুৰীয়ে মোৰ কিবা হৈছিল বুলি সোধাতহে মোৰ তত্ আহিছিল আৰু তেওঁ বাৰে বাৰে খবৰ লোৱাতহে মোৰ ভয় লাগিছিল। বজাৰত বহুত মানুহে মোক চাব ধৰিছিল। খেলৰ পৰা বঞ্চিত হম বুলি ঘৰত মই এই কথা কোৱা নাছিলোঁ।

মহাবিদ্যালয় সপ্তাহ পাৰ হৈ মুকলি সভা আহিল । সভাৰ অতিথিক খুৱাববৈলে ফিল্টাৰৰ পানী নোহোৱাত কুৱাঁৰ পানী যোগান ধৰিব লগাত মোৰ মনটোৱে হাহাকাৰ কৰি উঠিছিল। আমিও কুঁৱাৰ পানীৰে গলাধকৰণ কৰি পিয়াহ নিবাৰণ কৰিব লাগিছিল। তেতিয়াৰ দিনত চৰকাৰী মহাবিদ্যালয় হৈও এটা নলীনাদ নাছিল। সেয়েহে মই common Roomত এটা ফিল্টাৰৰ অভাৱ আনুভব কৰি G.S.ৰ কাষ চাপিছিলোঁ যদিও ফলপ্ৰসু নহলোঁ। এখন Application লৈ Principal মাননীয় যতীন্দ্ৰ চন্দ্ৰ নাথৰ ওচৰলৈ গৈছিলোঁ। ছাৰে অনুমতি নিদিলে বৰঞ্চ তেওঁৰ পানী খাই থকা ফিল্টাৰটোকে মোক আনিববৈলে কৈছিল। তেতিয়া মোৰ খং উঠিছিল আৰু ছাৰৰ লগত অলপ তৰ্ক কৰিব লগাত পৰিছিলোঁ । তেতিয়া ছাৰে খং কৰা নাছিল আৰু মোৰ তৰ্ক কৰাৰ সাহস থকাৰ বাবে ধন্যবাদহে দিছিল। Application অৰ আখৰ দেখি তেওঁ মোলৈ চাই আচৰিত হৈ মোৰ আখৰ হয় নে নহয় সুধিছিল। এনেদৰে মোৰ দিনত কুৱাঁৰ পানী তুলি খাওঁতে দিন পাৰ হৈছিল। ছাৰৰ শিক্ষাৰ প্ৰতি নজৰ আছিল যদিও কলেজত উন্নয়নমূলক কামৰ বাবে তৎপৰ হোৱাৰ ভাৱ পোষণ নকৰা যেন অনুমান হৈছিল।

T.D.C.2nd year ত নামভৰ্তি কৰি কলেজত গৈ থাকোঁতেই গামেৰীমুৰা হাইস্কুলত শিক্ষয়িত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিলোঁ। শিক্ষয়ত্ৰী লগাৰ বাবে কমিটিৰ মানুহে জোৰকৈ ধৰিলে আৰু মোৰো পঢ়াৰ খৰচৰ বাবে সুবিধা হ'ব বুলি সোমালোঁ। দহ কি. মি. ৰাস্তা চাইকেলেৰে অহা যোৱা কৰিছিলোঁ। স্কুলত কাম কৰা শুনি কলেজৰ ক্লাছ ক্ষতি কৰাৰ বাবে মাননীয় ইংৰাজীৰ অধ্যাপক Dilip Das , Economics অৰ Prof Deben Sarma আৰু Prof Sarat ছাৰে Major লৈ কেনেদৰে শিক্ষয়িত্ৰী কৰিবা বুলি সুধিছিল। তেতিয়া মই আচৰিত হৈছিলোঁ, সচাঁকৈ ছাৰসকলে আমাৰ ওপৰত কেনেদৰে খবৰ ৰাখে। তেওঁলোকৰ মৰম আৰু আমিও তেওঁলোকক সন্মান দি নিশ্চয় ছাত্ৰ আৰু শিক্ষকৰ সম্বন্ধ কটকটীয়াকৈ ৰাখিছিলোঁ। কলেজৰ ক্লাছ আনফালে স্কুল অলপ কষ্ট কৰিবলগীয়া হৈছিল। কিন্তু Assamese Major ৰ কিছু সহায় মোৰ বান্ধৱী অঞ্জলি দাসৰ পৰা পাইছিলোঁ। তেওঁলৈ মই শলাগ যাচিছোঁ। কিন্তু তাৰ মাজতে কলেজত 3rd year ত পৰি থাকোঁতে খেলা-ধুলা, নাটক ইত্যাদি এৰা নাছিলোঁ। মুঠতে ৫৯ খন কিতাপ মই পুৰস্কাৰ হিচাবে কলেজত পঢ়া দিনতেই পাববৈলে সক্ষম হৈছিলোঁ। College excurtion ত যাবৰ বাবে Principal ছাৰৰ পৰা সুবিধাকণ তেতিয়াৰ দিনতে পাইছিলোঁ। কিন্তু মোৰ অসুবিধাৰ বাবেহে যাব নোৱাৰি আন বন্ধু-বান্ধৱীকে যোৱাৰ বাবে সুবিধা দিছিলোঁ।

Assamese Major সহ T.D.C. পাছ কৰি ওলালোঁ। সেই সময়ত আমিবোৰে ইয়াৰ শিক্ষা লৈছিলোঁ যদিও আজিকালিৰ শিক্ষা ব্যৱস্থা প্ৰৱল আকাৰত প্ৰতিদ্বন্দিতামূলক হৈ পৰিছে। বহুত ল'ৰা ছোৱালী উচ্চ শিক্ষাৰে শিক্ষিত হ'ব খোজাত অনাগত দিনবোৰত প্ৰতিযোগিতা নিশ্চয় বাঢ়িব। আমি পঢ়া কলেজ আৰু আজিৰ কলেজ বহুখিনি যে পাৰ্থক্য পৰিলক্ষিত হোৱা দেখা যায়। যোৱা ২০১৪ ইং চনৰে মে মাহতে দুবাৰকৈ কলেজত নাক অহা সংক্ৰান্তত কলেজলৈ গলোঁ। কলেজৰ ভিতৰ

সোমাই আমি পঢ়া কলেজ হয় নে নহয় অলপ ভাবিব লগাত পৰিলোঁ। এতিয়াৰ কলেজ যথেষ্ট উন্নত। সেইদিনা অৱসৰপ্ৰাপ্ত মাননীয় Principal যতীন্দ্ৰ চন্দ্ৰ নাথ ছাৰক আৰু বহুতো চিনাকী বন্ধু - বান্ধৱী তথা ছাৰ- বাইদেউ ,দাদা-ভণ্টিক লগ পাই বহুত ভাল লাগিছিল। কিন্তু শিক্ষাৰ মাপকাঠী অনাগত দিনত আগুৱাই নি নতুন ধাৰাৰ সুচনা কৰিলে ভৱিষ্যৎ প্ৰজন্ম নিশ্চয় আগুৱাই যোৱাৰ বাবে সুবিধা হ'ব। Science ৰ বিভাগটো দুৰ্বল হোৱা বাবে আমাৰ এই পিছপৰা অঞ্চলত বহুত আশাবাদী ছাত্ৰ-ছাত্ৰীৰ সময়ৰ সোঁ তত খোজমিলাবলৈ যথেষ্ট কষ্টকৰ যেন অনুমান হয়। মুঠতে কলেজ হিচাপে শিক্ষাৰ মানদণ্ড পিছপৰি থাকিব নিদি আগুৱাই নিয়াৰ বাবে সমুহ কৰ্মকৰ্ত্তাৰ্লৈ মোৰ অনুৰোধ থাকিল।

বকো অঞ্চলৰ যিসকল শ্ৰদ্ধাৰ চিৰ নমস্য, জ্ঞানী ব্যক্তিয়ে এই মহাবিদ্যালয়খন গঢ়াত এক বুজাব নোৱাৰা কষ্ট স্বীকাৰ কৰিলে তেওঁলোকলৈ মই অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ত্যাগ স্বীকাৰ কৰা ব্যক্তি কিছুমান হয়তো নাই, সেই মহান ব্যক্তি সকললৈও মই শলাগ যাচিছোঁ। ইয়াৰ উপৰিও প্ৰাক্তন অধ্যাপক, অধ্যাপিকা আৰু যিসকল সন্মানীয় কৰ্মী বৃন্দই অনুষ্ঠানখনত আজিও সহায়ৰ হাত আগবঢ়াই শাৰিৰিক-মানসিকভাবে আনুগত্য প্ৰকাশ কৰি আছে, তেওঁলোকলৈও মোৰ হিয়া উজাৰি শ্ৰদ্ধা নিবেদিছোঁ। বৰ্তমান যিসকল উঠি অহা ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি আহে তেওঁলোক উচিত আৰু উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ নিজৰ উন্নতিৰ লগতে কলেজৰো যেন উন্নতি সাধে তাৰো আশা কৰিছোঁ। সদৌ শেষত সোনালী জয়ন্তী উৎসৱৰ জৰিয়তে মই মহাবিদ্যালয়খন যাউতিযুগীয়া হৈ থকাৰ উপৰিও উত্তৰোত্তৰ কামনা কৰিছোঁ। 'জয়তু জৱাহৰ নেহৰু কলেজ',বকো।

❀❀❀

# স্মৃতিয়ে মনত যেতিয়া উকি মাৰে

অলকা ৰাভা
প্ৰাক্তন ছাত্ৰী

স্মৃতিয়ে মানুহক প্ৰেৰণা দিয়ে। স্মৃতিয়ে আনন্দ দিব পাৰে। স্মৃতিয়ে আবেগ বিহুল কৰিব পাৰে, দুৰ্যোগময় আৰু বিষাদময় স্মৃতিয়ে আঘাতো দিব পাৰে। তথাপি স্মৃতি চিৰন্তন। মানুহ স্মৃতিৰে সমৃদ্ধ হৈ থাকে।

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকোৰ স্বৰ্ণ জয়ন্তীৰ প্ৰস্তুতি চলিছে। যিখন মহাবিদ্যালয়ত সৰুৰে পৰা পঢ়াৰ একান্ত ইচ্ছা আছিল। যিখন মহাবিদ্যালয়ত আমি জীৱন গঢ়াৰ শিক্ষা লাভ কৰিছিলোঁ, যিখন মহাবিদ্যালয়ে আমাক ভৱিষ্যৎ সাফল্যৰ পিনে আগবাঢ়ি যাবলৈ উপযুক্ত পথ দেখুৱাইছিল, য'ত পাঁচ বছৰ সময় অফুৰন্ত হেঁপাহেৰে মনে প্ৰাণে শিক্ষা আহৰণ কৰিছিলোঁ, সেইখন মহাবিদ্যালয়ৰ স্বৰ্ণ জয়ন্তীৰ প্ৰস্তুতিৰ কথা গম পাই আনন্দত উৎফুল্লিত হৈছোঁ। মহাবিদ্যালয়খনত শিক্ষালাভ কৰি থকা কালৰ অনেক মাদকতাসনা মধুৰ স্মৃতিৰ কথা মনলৈ আহিছে।

মনত পৰিছে স্মৃতিপটত স্থায়ী হৈ ৰোৱা দেহ-মন জুৰোৱা কলেজৰ প্ৰাকৃতিক দৃশ্যৰ কথা। শাৰী শাৰী নাহৰ গছবোৰ, কলেজৰ আশে পাশে থকা গছবোৰ। কি যে মনোমোহা দৃশ্য। গৰমৰ দিনত জিৰণিৰ সময়ত গছৰ ছাঁবোৰে আমাৰ আছিল একমাত্ৰ দেহ-মন জুৰুৱা শান্তিৰ কবচ। গছৰ তলত বহি লগৰীয়া বিলাকৰ সৈতে বিভিন্ন কথা-বতৰা পাতিছিলোঁ, আলোচনা কৰিছিলোঁ অতীতৰ, বৰ্তমানৰ আৰু ভৱিষ্যতৰ নানা কথা। দুজনী লগৰী আছিল যুতিকা কাকতি আৰু ভবানী মহন্ত। ইহঁতে আমাক বহু হাঁহিৰ খোৰাক যোগাইছিল। আমাৰ ভিতৰত অজন্তা কলিতাই সকলোতকৈ বেছি বেগাই খোজ কাঢ়িব পাৰিছিল। ঘৰলৈ আহোতে সদায় আমাৰ মাজত কোনে আগত হ'ব পাৰে জেদ লাগিছিল। প্ৰথম কলেজত যাওঁতে অজন্তা আৰু মোক

চিনিঅ'ৰ ছোৱালীয়ে মাতিছিল, কিন্তু নগ'লোঁ। ৰেগিঙৰ বিষয়ে চাগে? সৰস্বতী পূজাত বহু আনন্দ মনেৰে পূজা পাৰ কৰিছিলোঁ। কলেজত চাফাই কাম কৰিলে আমি মনপুতি ফিল্ডৰ *সজন খিৰিকাবোৰ* উভালিছিলোঁ, গছৰ পুলি পুতিছিলোঁ। কলেজৰ কাম বুলি ক'লে বহু উলাহ মনেৰে আগবাঢ়িছিলোঁ। প্ৰতিবছৰে College Weekত গীত গাম বুলি ভাবিছিলোঁ যদিও এবাৰো গোৱা নহ'ল। কলেজত গীত গোৱাৰ অদম্য হেঁপাহ আছিল। মাজে মাজে মহাবিদ্যালয়খনত বিভিন্ন ঠাইৰ পৰা কবি, সাহিত্যিক, বুদ্ধিজীৱী, গণ্যমান্য, শিক্ষিত, আদৰ্শবান ব্যক্তিসকলক নিমন্ত্ৰণ কৰি আনি ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান বঢ়োৱাত সহায় কৰিছিল।

অধ্যক্ষ, অধ্যাপক, অধ্যাপিকাসকলৰ কথা লিখনিৰ প্ৰাকমুহূৰ্ততে চিৰ নমস্য শ্ৰদ্ধাৰ অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ ছাৰৰ কথা ক'বই লাগিব। ছাৰক আমি বৰ ভয় কৰিছিলোঁ। প্ৰত্যেক দিনাই ছাৰে কলেজৰ চাৰিওফালে এবাৰ হ'লেও ৰান দিছিল। মাজে মাজে আমাক বহুমূলীয়া শিক্ষা প্ৰদান কৰিছিল। মৃগেন শৰ্মা ছাৰে সকলো ছাত্ৰ-ছাত্ৰীয়ে বুজি পোৱাকৈ সহজ-সৰল ভাষাৰে ইংৰাজী বুজাইছিল। দীলিপ দাস ছাৰক আমি ভয় কৰিছিলোঁ। চশ্মাৰ ওপৰেদি চকুদুটা কেৰাহিকৈ চালে ছাৰে খং উঠা বুলি চুপ হৈ বহি আছিলোঁ। বুজি নাপালে ছাৰে আমাক বাৰে বাৰে মৰমেৰে বুজাই দিছিল। লক্ষী শৰ্মা ছাৰে সদায় হাঁহিমুখে আমাক বুজি পোৱাকৈ বুৰঞ্জী পঢ়াইছিল।

কমলেশ্বৰ ঠাকুৰীয়া ছাৰে অসমীয়া বুজাওতে সঁচা ঘটনাৰ উদাহৰণ দি আমাক বুজাইছিল। মনত ৰেখাপাত কৰা এটা উদাহৰণৰ কথা - এদিন ভাই-ভনী দুজন বেলেগে ৰাতি মেলা চাব গৈছিল। ককায়েকে ভনীয়েকক মেলা চাব যোৱা কথা গম নাপায়। সময়ত মেলাত বহু ভীৰ, হেচা-ঠেলাত ককায়েকে নিজৰ ভনীয়েকৰ ব্লাউজৰ টুকুৰা এটা আনি পকেটত ভৰাই লয় আৰু পিছদিনা ব্লাউজটো বাহিৰত শুকাই দিয়া দেখা পাই পকেটত থকা টুকুৰাটো মিলাই চাই লাজত নিজকে নিজে মৰ্মাহত হয়। এনে উদাহৰণে আমাৰ মন-প্ৰাণ স্পৰ্শকাতৰ কৰি তুলিছিল। মদন কাকতি ছাৰেও আমাক কম হঁহুওৱা নাছিল। গলগলীয়া মাতেৰে ৰস লগাই আমাক ৰসাল কৰি তুলিছিল। চাৰ আমাৰ মাজত নাই। ছাৰৰ আত্মাই সদ্‌গতি লাভ কৰক তাকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ।

কলেজৰ পহিলা দিনটোৰ কথা নকৈ নোৱাৰি। সেই দিনটোলৈ মনত পৰিলে মনটো সেইদিনালৈ উৰা মাৰে। সেইদিনা আমাক ৰুমিতা ফুকন বাইদেউ শিক্ষা প্ৰদান কৰিছিল। বাইদেউৰ বুদ্ধিদীপ্ত, শিক্ষাদীপ্ত ৰসিকতাপূৰ্ণ আৰু মোহিত কৰিব পৰা মুখখন এতিয়াও চকুত ভাঁহি আছে। অকৃত্ৰিম মৰম-চেনেহৰে মিঠা মিঠা মাতেৰে আমাৰ মাজত শিক্ষা প্ৰদান কৰিছিল। বহু ঘণ্টা বুজালেও আমাৰ আমনি নালাগে বাইদেউৰ বুজনি। সেই শিক্ষা আছিল ছাত্ৰ-ছাত্ৰীক বহু ওপৰলৈ আগুৱাই লৈ যোৱা শিক্ষা যি শিক্ষাই বৃহৎ সাফল্যৰ পিনে লৈ যাব পাৰে। প্ৰাণেশ্বৰ নাথ ছাৰে আমাক সদায় মানৱতাৰ জ্ঞানৰ শিক্ষা প্ৰদান কৰিছিল। অৱশেষত শ্ৰদ্ধেয়া বিজয়া বাইদেউৰ মিঠা মিঠা সৰু মাতেৰে মনপ্ৰাণ শিহৰণ কৰি শিক্ষা প্ৰদান কৰাৰ কথা নকৈ নোৱাৰিলোঁ। চেনেহশীল মনোভাবেৰে সদায় আমাক বাইদেৱে সু-নিৰ্দেশনা দিছিল। বাস্তৱ জীৱনত জীয়াই থকাৰ প্ৰয়োজনীয় অন্যতম আকৰ্ষণীয়, বহুমূলীয়া শিক্ষা দিছিল। সুউচ্চ ব্যক্তিত্ব আৰু বিস্তৃত কৰ্মৰাজিৰে জনমানসত এক স্থান দাবী কৰাৰ অধিকাৰ থকা বাইদেউ তেতিয়াৰ পৰা বৰ্তমানেও আমাৰ মাজত সেৰা আগবঢ়াই আছে।

সদৌ শেষত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ স্মৃতিৰ কথা সামৰিলোঁ।

●●●

ভাই! সময় বুজি আহিবা এদিন
ফু মাৰি চোতালত লগে ভাগে খাম দুখৰ ধানৰ এসাজ ভাত।

- হীৰেন ভট্টাচাৰ্য

# পুনৰ বিচাৰিলে পাম জানো

দীপিকা দেৱী
প্ৰাক্তন ছাত্ৰী

অতীতৰ বুকুত বৰ্তমান বিচাৰি পাবলৈ বৰ মন যায়। সঁচাই অতীত বৰ মধুৰ, ইমান হৃদয় চুই যোৱা স্মৃতিৰে ভৰি থকা। ভাবিলেই ভাবি থকাবোৰ শেষ কৰিবই নোৱাৰি।

গাড়ীত তলে-ওপৰে ওলমি থকা মানুহবোৰৰ মাজত নিজে কেনেকৈ খোজ পেলাই ঘামি-জামি যাম। হাজাৰ দুখ-কষ্ট, মানুহৰ ঠেলা-হেঁচা নেওচি কোনোমতে বকো বাছ ষ্টেণ্ড পালোঁ। আকৌ তাৰপৰা কেতিয়াবা বাছ পাওঁ, নাপালে খোজ কাঢ়িয়েই কলেজলৈ যাব লাগিব। সময় মতে উপস্থিত হ'ব পাৰিলে বৰ ভালেই লাগিলহেঁতেন।

কলেজৰ পাঠ গ্ৰহণৰ পৰা শেষলৈকে প্ৰতিটো দিন মোৰ কাৰণে এতিয়াও মানস পটত জলজল্-পট্‌পট্ হৈ আছে। কলেজৰ নৱাগত আদৰণী সভাত এটি গীত গাইছিলোঁ ৰাজেন দেৱান দেৱৰ 'ভাৰতৰে নুমলী জী'। চাৰ, বাইদেউসকলে বৰ ভাল পাইছিল। তাৰ পিছতে কলেজ সপ্তাহবোৰত বহু পুৰস্কাৰো পালোঁ। দুবছৰ শ্ৰেষ্ঠ গায়িকাৰ সন্মান লাভ কৰোঁ, কি যে স্মৃতিৰ দিন আছিল সেইবোৰ।

বিশ্ববিদ্যালয়লৈ দুবাৰ গান গাই যোৱাৰ সুবিধা পাইছিলোঁ। সেই যে দহ-বাৰ জন বন্ধু-বান্ধৱী, চাৰৰ (দীলিপ দাস) তত্বাৱধানত আৰু এবাৰ সুৰেশ গোস্বামী চাৰৰ তত্বাৱধানত গৈছিলোঁ, বৰ ভাল লাগিছিল। গধুলি ৰূমত অহাৰ পাছত দাস চাৰে আমাক নিজাকৈ কিবা-কিবি কৰিব দিছিল। অহাৰ আগদিনা একোখনকৈ কিতাপ প্ৰত্যেককে চাৰে পুৰস্কাৰ হিচাপে দিছিল। কিমানযে ভাল লগা সেই দিনবোৰৰ স্মৃতি, বিচাৰিলে এতিয়া পাম জানোঁ?

স্মৃতিৰ মণিকোঠাত 'ৰূপালী জয়ন্তী' উদ্‌যাপনৰ দিন-ৰাতি কেইটা। গান, নাচ, নাটক ইত্যাদি। অধ্যাপক, ছাত্ৰ-ছাত্ৰী, সমাজৰ গণ্য-মান্য কিছু লোক লগহৈ এখন বুৰঞ্জীমুলক নাট কৰোঁ, নাটখনৰ নাম '[illegible]'। স্বৰ্গীয় শৰৎ তালুকদাৰ চাৰৰ লগত একেলগে অভিনয় কৰিবলৈ পাই বৰ ভাল লাগিছিল।

ভাবিলে আজি অকণমান বেয়া লাগে। কাকতি চাৰ, তালুকদাৰ চাৰক হেৰুওৱা বাবে। ইমান ধেমালি কৰিছিল পঢ়োৱাৰ মাজতো কাকতি চাৰ, তালুকদাৰ চাৰ, বৰুৱা চাৰে।

এদিনৰ এটা কথা ভাবিলে বৰ ভাল লাগে। মই এদিন অফিচ ৰূমত আগৰে মোৰ বান্ধৱী দুজনীৰ লগত গৈ আছোঁ। হঠাৎ তালুকদাৰ চাৰে মাত লগালে, হেৰা, হেৰা সৰমা (নাটকৰ চৰিত্ৰৰ নাম) এইফালে, এইফালে আহা। কাকতি চাৰে কয়—ঐ শুনা নাই মাতি আছে। মই আহিলোঁ চাৰৰ লগত এনেয়ে অলপ কথা পাতিলোঁ, গুচি গ'লোঁ। সেই যে চাৰৰ লগত হাঁহি-ধেমালিৰ মুহূৰ্তবোৰ ভাবিলেই বৰ ভাল লাগে। এতিয়াও কলেজলৈ আহিলে আগৰ অফিচটো, আগৰ চাৰ বাইদেউসকলৰ ছবিবোৰ মনলৈ আহে।

যিকোনো গান ৰিহাৰ্চেল কৰি থাকিলে অলপ সময়ৰ কাৰণে হ'লেও (অধ্যক্ষ) নাথ চাৰে চাইছিল আৰু ভাল এটি পৰামৰ্শ আগবঢ়াই আহিছিল। ৰিহাৰ্চেল কৰোঁতে ভাৰত চৌধুৰী দাদাই বৰ ভালদৰে ধৈৰ্য সহকাৰে আমাক শিকাইছিল। বহুত ভাল লাগিছিল।

আজি সেই দিনবোৰৰ স্মৃতি সুঁৱৰি পুনৰ যেন অতীতলৈ উভতি গৈছোঁ। সঁচাই মোক অতীতবোৰে বৰ আনন্দ দিয়ে। মনত ভাব পুনৰ যদি কলেজত পঢ়া দিন কেইটা ঘূৰাই পালোঁহেঁতেন। অতীতৰ স্মৃতিবোৰে বৰ্তমানক গঢ় দিছে আৰু যেন ভৱিষ্যতলৈও খোজ পেলোৱাত সহায় কৰে তাকেই মনে প্ৰাণে কামনা কৰোঁ।

অতীতৰ পৰা এতিয়ালৈ আমাৰ কলেজ কোনো দিশতে পিছপৰা হৈ থকা নাই। প্ৰত্যেকটি দিশতে যেনেকৈ আগবাঢ়ি গৈছে পুনৰ সকলো দিশতে সফলতা লাভ কৰিব বুলি মই আশাবাদী............।

# স্মৃতিৰ কথাৰে

কৰুণা কলিতা
প্ৰাক্তন ছাত্ৰ (২০০৬-১১)

পোন প্ৰথমে আমাৰ সকলোৰে অতি মৰমৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে গৌৰৱোজ্বল সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰাৰ শুভক্ষণত যিসকল মহান ব্যক্তিৰ অশেষ ত্যাগৰ ফলত এই অনুষ্ঠানটিৰ জন্ম হৈছিল, সেই চিৰ নমস্য ব্যক্তিসকল, সন্মানীয় শিক্ষাগুৰুসকল, সমূহ প্ৰাক্তন আৰু বৰ্তমানে অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকললৈ অভিনন্দন জ্ঞাপন কৰিলোঁ। সৌভাগ্যক্ৰমে ময়ো তাৰে এজন প্ৰাক্তন ছাত্ৰ। ২০০৬ চনত এইখন মহাবিদ্যালয়ত মই কলা শাখাৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত (HS 1st Year) নামভৰ্তি কৰো। ২০০৮ চনত HS 2nd Year পাছ কৰি অৰ্থনীতি বিজ্ঞান (মুখ্য বিষয়) হিচাপে লৈ B.A.ত অধ্যয়ন কৰিবলৈ লওঁ আৰু ছাৰ-বাইদেউসকলৰ অকৃত্ৰিম মৰম-আৰ্শীবাদ আৰু সহযোগৰ আলমত ২০১১ চনত মোটামুটিভাৱে এটা ভাল ৰিজাল্ট কৰিবলৈ সক্ষম হওঁ। ইয়াৰ ফলস্বৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ত M.A. পঢ়াৰ মনত যি আশা পুহি ৰাখিছিলোঁ সেই আশাও পূৰণ হোৱাৰ পথ মুকলি হয়। উক্ত সময় ছোৱাত মহাবিদ্যালয়খনৰ শিক্ষাগুৰু সকলোৰে মোৰ প্ৰতি যি আস্থা দেখুৱালে সেয়া মোৰ বাবে সদাস্মৰণীয়। যি কি নহওঁক আজি মই মোৰ কলেজীয়া জীৱনৰ দুটা ৰসিক ঘটনাৰ বিষয়ে লিখিব ওলাইছোঁ, আশা কৰোঁ সকলোৱে পঢ়ি ভালেই পাব।

প্ৰথম ঘটনাটো ঘটিছিল মোৰ কৰ্লেজীয়া জীৱনৰ প্ৰথম দিনটোত। ২০০৬ চনৰ আগষ্ট মাহৰ প্ৰথম সপ্তাহৰ কোনোবা এটি দিনত। মই উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ কলা বিভাগৰ ছাত্ৰ। যদিও মই কলা শাখাত নামভৰ্তি কৰিছিলোঁ মোৰ মনত কিন্তু বিজ্ঞান পঢ়াৰ এটা দুৰ্বাৰ হেঁপাহ আছিল আৰু প্ৰথম দিনাই নচিনাকি বন্ধুসকলৰ প্ৰৰোচনাত বহিলোহি বিজ্ঞান শাখাৰ ক্লাছত। ক্লাছটো আছিল নন্দা দেৱী বাইদেউৰ Zoology-ৰ ক্লাছ। বাইদেৱে সেইদিনা সকলোৰে সৈতে চিনাকিহে হৈছিল মাত্ৰ। মোৰ বাহিৰে আন সকলোৱে নিজৰ নাম-ঠিকনা আৰু ৰোল নং কৈ গৈছিল। পিছে মই মাত্ৰ নিজৰ নাম আৰু ঠিকনাহে কৈছিলোঁ, ৰোল নং কোৱা নাছিলোঁ। কিয় কোৱা নাছিলোঁ বুজি পাইছেই নিশ্চয়। পিছত অৱশ্যে মই বাইদেউক সেইদিনাৰ কথাখিনি কৈ ক্ষমা বিচাৰিছিলোঁ। আজিও বাইদেউক লগ পালে সেই ক্লাছটোৰ কথা ওলায়।

আনটো ঘটনা ঘটিছিল ওপৰোক্ত ঘটনাটো ঘটাৰ দুদিনমান পিছত। মই কলা শাখাত পঢ়িছিলোঁ আৰু Mathematics এটা ঐচ্ছিক বিষয় হিচাপে লৈছিলোঁ। সেইদিনা ১ নম্বৰ ক্লাছ ৰুমত Mathematics অৰ নৱজ্যেতি ছাৰৰ ক্লাছ আছিল ১০ বজাৰ পৰা। বাছৰ (গাড়ী) পৰা নামি হাতঘড়ীটো চাই দেখো ১০ বাজিছে। গতিকে ততাতয়াকৈ ক্লাছ ৰুমৰ ফালে খোজ ললোঁ। গৈ দেখোঁ যে নৱজ্যোতি ছাৰে ক্লাছ কৰি আছে। মই একো নভবাকৈ ছাৰক সুধিলোঁ---"May I come in, Sir?" ছাৰে কলে-"Yes"। ক্লাছত সোমাই গৈ দেখিলোঁ যে মোৰ চিনাকি মুখ এখনো নাই। চিনাকি কাকো দেখা নাপাই লাজে-ভয়ে মোৰ অৱস্থা শিল পৰা কপৌটোৰ নিচিনা হ'ল। মোৰ অৱস্থা দেখি ছাৰে সুধিলে, 'তোমাৰ কি ক্লাছ আছেনো?" মই ক'লো-'ছাৰ HS 1st year, Mathematics অৰ', তেতিয়া সকলোৱে খিলখিলাই হাঁহিব ধৰিলে। হাঁহি হাঁহি ছাৰে কৈ উঠিল, "এইটো HS 2st year অৰ হে ক্লাছ, তোমালোকৰ ক্লাছ ইয়াৰ পিছত হ'বহে।" লগে লগে লাজ লাজকৈ মই ক্লাছ ৰুমৰ পৰা ওলাই আহিলোঁ। আজিও সেই দিনটোৰ কথা মনত পৰিলে নিজৰ ওপৰতেই হাঁহি উঠে।

আন সকলোৰে দৰে মোৰ ৫ বছৰীয়া কলেজীয়া জীৱনত এনেকুৱা সৰু-বৰ বহুতো ৰসিক ঘটনা ঘটিছিল, যিবোৰ চিৰদিনীয়া আনন্দৰ ভঁৰাল হৈ ৰ'ল। যি কি নহওঁক জৱাহৰলাল নেহৰু মহাবিদ্যালয় এক মহান অনুষ্ঠান, এই অনুষ্ঠানখনিৰ ৫০ বছৰীয়া বৰ্ণিল ইতিহাসৰ এক ক্ষুদ্ৰাতিক্ষুদ্ৰ অংশ হিচাপে মই নিজকে ধন্য মানিছোঁ আৰু অনাগত দিনবোৰত ইয়াৰ যাত্ৰা আৰু অধিক বিস্তৃত আৰু সফল হওঁক তাকেই কামনা কৰিছোঁ।

❁❁❁

# জৱাহৰলাল নেহৰু মহাবিদ্যালয় আৰু মোৰ সপোনৰ সোণোৱালী সময়

পৰীস্মিতা দাস
প্ৰাক্তন ছাত্ৰী

স্বপ্নাতুৰ মই। সৰুতেই মা দেউতাই আঙুলিত ধৰি আগুৱাই লৈ গৈছিল এখন স্বপ্নৰ দেশলৈ। দুচকুত সিঁচি দিছিল এটি আকাশ বিশাল সপোন। সেই সপোনৰ হাতত ধৰিয়েই আগবাঢ়ি আহি আছিলোঁ আৰু এদিন প্ৰবেশ কৰিছিলো মোৰ সপোনৰ মহাবিদ্যালয়খনলৈ স্বপ্নৰ আলোক বিচাৰি।

জৱাহৰলাল নেহৰু মহাবিদ্যালয়। অজস্ৰ জনৰ স্বপ্নৰ মহাবিদ্যালয়। কিশোৰ-কিশোৰী, যুৱক-যুৱতীৰ জীৱন গঢ়াৰ স্থান। এই মহাবিদ্যালয়খনো আছিল মোৰ সপোনৰ এক অংশ। মা- দেউতা, মামা-মাহী সকলোৰে শিক্ষা গ্ৰহণ কৰা মহাবিদ্যালয়খন সৰুৰেই পৰা আছিল মোৰ বাবে এক চিনাকী নাম। সেয়েহে একান্ত ইচ্ছা আছিল ইয়াত অধ্যয়ন কৰিবলৈ।

**প্ৰথম দিনটো**

চুচুক-চামাক খোজ দি গেটৰ ভিতৰলৈ সোমালো। সেইদিনা আছিল ২০০৭ চনৰ ৩ আগষ্ট। কলেজত শ্ৰেণীসমূহ ১ তাৰিখ পৰা আৰম্ভ হৈছিল যদিও বিশেষ অসুবিধাৰ বাবে মই ১ তাৰিখে কলেজত উপস্থিত হ'ব পৰা নাছিলোঁ। সেয়েহে ৩ আগষ্ট আছিল কলেজত মোৰ প্ৰথমটো দিন। সেইদিনা আছিল কলেজৰ প্ৰতিষ্ঠা দিৱস। প্ৰতিষ্ঠা দিৱসৰ শোভাযাত্ৰাত অংশ-গ্ৰহণ কৰিছিলো আৰু মিটিঙতো উপস্থিত আছিলো। মিটিঙত ছাৰ হঁতৰ বক্তৃতাবোৰ শুনি আপ্লুত হৈ পৰিছিলোঁ আকৌ এবাৰ ভাল পাই পেলাইছিলো মোৰ সপোনৰ কলেজখনক। সেইদিনাই চিনাকী হৈছিলোঁ মোৰ সহপাঠী বহতো বন্ধু-বান্ধৱীৰ স'তে।

দ্বিতীয় দিনটোৰ পৰা শ্ৰেণীবোৰত নিয়মিতভাৱে উপস্থিত থাকিবলৈ লৈছিলোঁ। প্ৰতিটো শ্ৰেণীতে শিক্ষা গ্ৰহণ কৰি ভাল লাগিছিল। কিন্তু অফ টাইমবোৰ সংকোচ ভাৱেৰে পাৰ কৰিছিলোঁ কিজানিবা কোনোবাই-মাতে ৰেগিং কৰিবলৈ। কিন্তু কোনো এদিন এনেকুৱা ঘটনাৰ সন্মুখীন হ'ব লগা নহ'ল। ছিনিয়ৰ দাদা-বাইদেউসকল আছিল আতি ভদ্ৰ আৰু মৰমিয়াল।

**নৱাগত আদৰণি সভা ঃ**

স্মৃতিৰ মণিকোঠাত সজীৱ হৈ থকা প্ৰথম বৰ্ষটোৰ এটা দিন হ'ল নৱাগত আদৰণী সভাৰ দিনটো। সেউজীয়া ফুলৰ মেখেলা-ছাদৰ এযোৰ পিন্ধিছিলো। দেখিবলৈ মই অকণমান ছোৱালী এজনীৰ দৰে আছিলো। সকলোৱে কৈছিল মোক হেনো সপ্তম অষ্টম শ্ৰেণীত পঢ়া যেন লাগে। লগৰবোৰেও টিক্‌লি বুলি মাতিবলৈ আৰম্ভ কৰি দিছিল। নৱাগত আদৰণী সভাৰ দিনা লগৰ বান্ধৱীবোৰৰ স'তে বহি আছিলোঁ। সতীৰ্থ সন্মিলন অনুষ্ঠান আৰম্ভ হোৱাৰ লগে লগে ১ম বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ পৰা এজন এজনকৈ মঞ্চলৈ মাতি আছিল। কিন্তু ভয় অৰু সংকোচৰ বাবেই চাগে কোনেও মঞ্চলৈ যোৱা নাছিল। অৱশেষত ছাৰে মাতিছিল মোৰ নামটো। দুৰু দুৰুকৈ কঁপিছিল বুকুখন ।এখোজ দুখোজকৈ মঞ্চলৈ আগুৱাই গৈছিলো। মঞ্চত উপস্থিত হোৱাৰ লগে লগেই চিঞৰি দিছিল ছাত্ৰ-ছাত্ৰীসকলে। পুলক তালকদাব ছাৰৰ লগতে থকা ছিনিয়ৰ বাইদেউগৰাকীয়ে মোক সম্পূৰ্ণ অসমীয়াত ঠিকনাটো কবলৈ কৈছিল। মই কৈছিলো, তাৰ পিছত সুধিছিল মোৰ হবীৰ বিষয়ে। মই গান শুনি আৰু কবিতা আবৃত্তি কৰি ভাল পাওঁ বুলি কোৱাৰ লগে লগে মোক গান গাবলৈ কৈছিল। অকণিৰ মেলত শুনা 'আইতা, অ আইতা, সাধু শুনো চোতালত' এই গানটো গাইছিলোঁ। তাৰ পিছত আকৌ দিছিল কবিতা আবৃত্তি কৰিবলৈ। দেৱজ্যোতি শইকীয়াৰ 'ফাগুন তুমি আহিলে মই আকৌ প্ৰেমিক হৈ পৰো' কবিতাটো আবৃত্তি কৰিছিলো,আকৌ এবাৰ চিঞৰি উঠিছিল ল'ৰাবোৰে। অলপ নাৰ্ভাছ হৈছিলো যদিও ভালদৰেই আবৃত্তি কৰিছিলো কবিতাটো আৰু অজস্ৰ হাত চাপৰিৰ মাজেৰে নামি আহিছিলো মঞ্চৰ পৰা ।

সেইদিনাৰ পাৰা যেন কলেজত মোৰ বন্ধু-বান্ধৱীৰ সংখ্যা বাঢ়ি আহিছিল। সকলোৱে মোৰ লগত চিনাকী হৈছিল। মই যেন দাদা, বাইদেউ, সহপাঠী সকলোৰে মাজত জনপ্ৰিয় হৈ পৰিছিলো। ক্লাছ, মস্তি -ফূৰ্তিৰ মাজেৰে পাৰ হৈ গৈছিল প্ৰথম বৰ্ষটো। দ্বিতীয় বৰ্ষটোত একেদৰেই পাৰ হৈ গৈ আছিল। দ্বিতীয় বৰ্ষটোৰ আটাইতকৈ ভাল লগা সময়খিনি হ'ল মহাবিদ্যালয় সপ্তাহৰ সময়খিনি। কলেজত স্থবিৰ হৈ পৰা নাটকৰ পৰিৱেশটো আমি আকৌ উজ্জ্বিৱীত কৰি তুলিছিলোঁ। সাংস্কৃতিক সম্পাদকজন আমাৰ লগৰে মন্টু কলিতা আৰু সহযোগত বিউতী ৰয়, বিউতী গগৈ, চয়নিকা দাস,ৰূপাঞ্জলি পটোৱাৰী, বৰষা পাটোৱাৰী, সোণালী ৰাভাৰ স'তে পদ্মৰাম মহন্তৰ ৰচিত 'মৰহা ফুল' নাটখনিৰে বহু-বছৰ পিছত জে. এন. কলেজৰ মঞ্চত নাটকৰ পৰিৱেশ ঘূৰাই আনিছিলোঁ। নাটকৰ উপৰিও আকস্মিক বক্তৃতা, তৰ্ক, থিতাতে ৰচিত কবিতা, গল্প আদি প্ৰতিযোগিতাবোৰত পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। সোণালী হৈ পৰিছিল সময়বোৰ।

যদিও কলেজত সহ পাঠ্যক্ৰমিক কামবোৰত আগবঢ়া আছিলো তাৰ মাজেৰে পঢ়া শুনাও ভালদৰে আগবঢ়াই লৈ গৈছিলোঁ। উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাত দ্বিতীয় স্থান লাভ কৰি সফলতাৰে সমাপ্ত কৰিছিলোঁ। স্নাতক পৰ্যায়তো মোৰ মৰমৰ মহাবিদ্যালয়খনতেই নামভৰ্তি কৰিলোঁ শিক্ষা বিভাগৰ এগৰাকী ছাত্ৰী হিচাপে। স্নাতক শ্ৰেণীৰ প্ৰতিটো দিনেই মোৰ বাবে স্মৰণীয়। প্ৰতিটো দিনেই মোৰ বাবে কঢ়িয়াই আনিছিল নতুন নতুন প্ৰেৰণা। ইয়াৰ মাজতেই স্নাতক প্ৰথম বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগীৰ স্থান লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। স্নাতক দ্বিতীয় বৰ্ষটো মোৰ বাবে আটাইতকৈ স্মৰণীয়। এই বৰ্ষটোতেই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক ছাত্ৰ-ছাত্ৰীসকলে আলোচনী সম্পাদিকা হিচাপে নিৰ্বাচন কৰিছিল। এই বছৰটোত কলেজখনে মোক দিছিল বিভিন্ন অভিজ্ঞতা। দায়িত্ব গ্ৰহণ কৰিবলৈ আৰু সেই দায়িত্ব সম্পূৰ্ণৰূপে পালন কৰিবলৈ শিকিলোঁ এই বছৰটোতে।

**সোণালী জয়ন্তী বৰ্ষৰ আৰম্ভণি অনুষ্ঠান ঃ**

জন্ম লগ্নৰে পৰা বহুতো ছাত্ৰ-ছাত্ৰীৰ সোণালী সপোনক বাস্তৱ ৰূপ দি বহুতো সোণালী ক্ষণ বুকুত সাঁচি মোৰ মৰমৰ কলেজখনে সোণালী জয়ন্তী বৰ্ষত ভৰি দিলেই। উলহ মালহেৰে ভৰি পৰিল মহাবিদ্যালয়ৰ চৌপাশ। ঢোল-পেঁপাৰ মাতে সকলোৰে বুকুত স্পন্দন তুলিলে। কলেজৰ ৫০ বছৰীয়া প্ৰতিষ্ঠা দিৱস উদযাপন কৰিবলৈ আগবাঢ়ি আহি., সকলোৱে। দায়িত্ব আহি পৰিল আমাৰ ওপৰতো। কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা এক বিশাল শেভাযাত্ৰাৰ আয়োজন কৰা হৈছিল আৰু তাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক প্ৰস্তুত কৰি তোলাৰ দায়িত্ব দিয়া হৈছিল মৃদুস্মিতা, চন্দনা আৰু মোক। খুব ধুনীয়াকৈ পাৰ হৈ গৈছিল সোণালী জয়ন্তীৰ আৰম্ভণি উৎসৱ।

**শিক্ষা বিভাগ ঃ**

উচ্চতৰ মাধ্যমিকৰ পৰাই শিক্ষা বিভাগৰ ছাৰ-বাইদেউসকল বহুত আপোন আছিল। স্নাতক পৰ্যায়ত শিক্ষা বিভাগত নামভৰ্তি কৰাৰ পৰা শিক্ষা বিভাগটো অতিকৈ আপোন হৈ পৰিল। প্ৰতিজন ছাৰ-বাইদেউয়ে খুব ধুনীয়াকৈ বুজাই দিছিল নুবুজা বিষয়বোৰ। নৱাগত আদৰণি সভাৰ প্ৰতিটো বিভাগৰ মাজত অনুষ্ঠিত প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাবোৰত আমাৰ বিভাগৰ প্ৰাচীৰ প্ৰত্ৰিকাখন সজাই- পৰাই তুলিছিলোঁ। দ্বিতীয় বৰ্ষত সকলোবোৰ দায়িত্ব পৰিছিল আমাৰ ওপৰত। মেম-ছাৰহঁতৰ সহযোগত আমি ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰকৈ সজাই-পৰাই তুলিছিলোঁ প্ৰাচীৰ পত্ৰিকাখন। গধূলিলৈকে কলেজত থাকি কাম কৰিছিলোঁ। বিশেষকৈ চন্দনা, ধীৰাজ, মীৰা আৰু মই শিক্ষা বিভাগৰ প্ৰতিখন চেমিনাৰ, প্ৰজেক্টৰ প্ৰস্তুতি, কৰ্মশালা এইবোৰে আমাক দিছে জ্ঞান-অভিজ্ঞতাৰ সম্ভাৰ। এই মুহূৰ্তবোৰ পাহৰিব নোৱাৰিম কেতিয়াও।

**বিদায় বেলাৰ বিষাদ ঃ**

চুচুক-চামাককৈ খোজ দিয়া কলেজখন এই পাঁচটি বছৰত আমাৰ অতিকৈ আপোনহৈ পৰিল। ষষ্ঠ ষান্মষিকত ভৰি দিয়াৰ লগে লগে অনুভৱ হৈছিল আমি ডাঙৰ হ'লোঁ। এক দুখে আৱৰি ধৰিছিল হৃদয়। খোজে খোজে অনুভৱ কৰিছিলো আমাৰ বিদায় সমাগত। আগৰ দৰে আৰু সদায় আহিবলৈ নাপাম বন্ধু-বান্ধৱী সকলক সাঁচি ৰাখিব লাগিব স্মৃতিৰ মণিকোঠাত।

স্নাতক পৰ্যায় সফলতাৰে সমাপ্ত কৰি বিদায় ললোঁ কলেজখনৰ পৰা। লগত লৈ আহিলো জ্ঞানৰ সুৰভি, পাত মেৰিয়াই ল'লোঁ অভিজ্ঞতাৰ চোলা আৰু হৃদয়ত স্মৃতিৰ মৌসৰা সঁফুৰা।

# কলেজীয়া জীৱন, সোণালী জয়ন্তীবৰ্ষ আৰু মোৰ অনুভৱ

মনামী ডেকা
ছাত্ৰী

কৃষ্ণচূড়াৰ ৰঙা ৰঙেৰে পৰিবেষ্টিত বিদ্যাৰ মন্দিৰৰ দুৱাৰমুখত আজি অৰ্ধ শতক! গৰকি যোৱাৰ আনন্দই ঢৌ তুলিছে। বেনামী বৰষুণজাকে ধুৱাই নিয়া কলেজ চৌহদত তোৰণ সজা হৈছে। সময়বোৰ স্মৃতিৰ বালিচৰত সৰি ৰয়। ৫০টা বছৰ ঘড়ীৰ কাঁটাহ হিচাপ কৰা নাই, হিচাপ কৰিছে কলেজৰ চৌহদে, কলেজৰ প্ৰতিটো আচবাবে। কলেজৰ শাৰী শাৰী বকুলৰ তলত সৰি ৰোৱা

বকুল ফুল আজি অজস্ৰ পৰশ পাই হাঁহি উঠিছে। পুৰণিক পাহৰি নোযোৱাকৈ নতুনক আদৰণি জনাইছে। যি পুৰণি মধুৰ স্মৃতি পাহৰিব

নোৱাৰি সেই পুৰণি সময়। ন-পুৰণিৰ সমাবেশেৰে জীপাল হৈছে জৱাহৰলাল নেহৰু কলেজ।

২০১৩ বৰ্ষত নতুন আছিলোঁ আমিও। বাৰবছৰে এখন স্কুলত অধ্যয়ন কৰি ২০১৩ চনত সুখ্যাতিৰে মেট্ৰিক পৰীক্ষা পাছ কৰি ওলাই অহাৰ সময়ত যিমান দুখ লাগিছিল; নতুন কলেজত নতুন পৰিবেশত অভ্যস্ত হ'ব নোৱাৰি সিমানেই অস্বস্তি অনুভৱ কৰিছিলোঁ। দৌৰা-দৌৰিকৈ শ্ৰেণীকোঠা সলনি কৰি ক্লাছ কৰোঁতে হেৰাই গৈছিল স্কুলত ক্লাছ কৰাৰ মাদকতা। বছৰে মোট সলালে, আমিও এবছৰৰ পুৰণি হ'লোঁ। এতিয়া তেনেকৈয়ে ক্লাছ কৰি আনন্দ অনুভৱ কৰোঁ। অনুভৱ কৰোঁ ক্লাছৰ মাজৰ অৱসৰৰ সময়খিনিৰ মাদকতা। হাঁহিত জাপাল হৈ উঠে কলেজ কেন্টিন, চৌহদ আনকি লাইব্ৰেৰীটোও। আমি সকলোৰে লক্ষ্যত উপনীত হ'বৰ বাবে মাথোঁ প্ৰতিযোগিতাত নামি পৰোঁ, যি প্ৰতিযোগিতাই কাঢ়ি নিয়ে মুখৰ হাঁহি, কৈশোৰৰ অনুভৱী প্ৰতিভাবোৰ। কিন্তু, আমি সপোনপিয়াসী; যিমানেই সপোন দেখা যায়, পূৰ্ণ কৰাৰ আশা-আকাংক্ষা বাঢ়ি যায়। সপোন ভংগ হ'লে আঘাতৰ সৃষ্টি হয় মনৰ দৃঢ়তাত। তথাপিও, সপোন ভংগ হ'লে ভাগি পৰিব নালাগে। সময় থাকোঁতেই উঠি থিয় হ'ব লাগে।

কলেজ পোৱাৰ লগে লগে আমি লক্ষ্যৰ আৰু অলপ কাষ চাপোঁ। আমাৰ অনুভৱী প্ৰতিভাবোৰে লক্ষ্যত উপনীত হ'বৰ বাবে প্ৰেৰণা যোগায়। চেষ্টা, পৰিশ্ৰম আৰু লক্ষ্যক প্ৰাপ্ত কৰাৰ একান্ত ইচ্ছাই আমাক সঠিকভাবে বাট পোনোৱাত সহায় কৰে।

কলেজত প্ৰথম পৰীক্ষা দিয়াৰ সময়ত মাথো এটা কথাই চিন্তা কৰিছিলোঁ যে এয়া আৰম্ভণিহে, এক দীঘল পৰিক্ৰমা এতিয়াও বাকী আছে, যি পৰিক্ৰমা অতিক্ৰম কৰিবৰ বাবে প্ৰয়োজন হ'ব সাহস, ধৈৰ্য আৰু দৃঢ়তাৰ। কলেজৰ প্ৰফেচাৰসকলৰ আশীৰ্বাদে জন্ম দিব পাৰে মনত সাহস, ধৈৰ্য্য আৰু দৃঢ়তাৰ। আকৌ এজাক নৱাগত আহিব। নতুনকৈ সুখৰ হ'ব কলেজ। আমিও এদিন সকলোবোৰৰ দৰে স্মৃতি হ'ম। এক সুন্দৰ স্মৃতি! যি স্মৃতিক বছৰে-বছৰে অহা নতুন স্বপ্নাতুৰ যুৱক-যুৱতীয়ে আপোন কৰি ল'ব। সকলো সফল হওঁক। "জয়তু জৱাহৰলাল নেহৰু কলেজ।"

"বিজয়ী হোৱাজনে কেতিয়াও পৃথক বা বেলেগ কাম নকৰে; তেওঁলোকে সাধাৰণ কাম এটাক পৃথককৈ বা বেলেগকৈ কৰে।"

"Winners don't do different things; they do things differently."

০০০

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সংগীত

কথা- বিৰিঞ্চি কুমাৰ মেধি
অৱসৰপ্ৰাপ্ত অধ্যাপক, নৃতত্ত্ব বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়

সুৰ - দামোদৰ বৰা
সংগীত বিদ্যালয়/মহাবিদ্যালয় সমূহৰ অৱসৰপ্ৰাপ্ত পৰিদৰ্শক
(সাংস্কৃতিক সঞ্চালকালয়, গুৱাহাটী)
অৱসৰপ্ৰাপ্ত অধ্যাপক, ৰাজ্যিক সংগীত মহাবিদ্যালয
অধ্যক্ষ, সুৰশ্ৰী মহাবিদ্যালয়, গুৱাহাটী

সোণালী জয়ন্তীৰ অনুপম ক্ষণ
সমবেত গুৰু-শিষ্য
কিযে অপৰূপ দৃশ্য
হৃদয় বিশাল কৰি জাগিছে স্পন্দন।

বকো আকুল বুকু জুৰি আলোড়ন
কাতৰ স্মৃতিৰ পৰা
প্ৰৱাহিত প্ৰীতিধাৰা
অভিভূত সমাগত বন্ধু-সুধীজন
প্ৰজ্ঞা-পুলকজ্যোতি কৰে বিকিৰণ।

পোহৰ বিলাই যেন আহে তথাগত
স্নিগ্ধ ক্লান্তিবিহীন বন্ধুৰ পথ
কুণ্ঠা জুড়তা ভয় দিয়ে আঁতৰাই
স্তব্ধ-জীৱনধাৰা হয় সুশোভন।

একেটি প্ৰদীপ শিখা এন্ধাৰ গহন
জ্বলাই হেজাৰ চাকি
দিলে নৱনীত বাকি
বিকশিত আলোকিত তৃপ্ত শতজন
মুগ্ধ-সঞ্জীৱিত আশাহত মন।

# সোণালী জয়ন্তীৰ গীত

কথা-সুৰ- মঞ্জিৰা শৰ্মা
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

প্ৰদীপ জ্বলে
শিখা জ্বলে,
জ্বলে জ্বলে
জ্বলে.......... উছৰৰ শলিতা জ্বলে
জ্ঞানৰে মন্দিৰত শলিতা জ্বলে
গছে বনে তৰু তৃণে
কিয় আজি ন সাজ
পৰিধান কৰে..........
উছৰৰ শলিতা জ্বলে
.............................................
বৰণীয়া ৰহনীয়া
ফুল হৈ ফুলো আমি
তোমাৰ ফুলনি বাগিচাত
যুগ যুগ ধৰি আমি
আহিছো মিলি-জুলি
নাই মনত সংঘাত
আজি সোণালী জয়ন্তীৰ
সোণালী ক্ষণত আমি

গাই যাও জয়ৰে গীত
আজি আনন্দে নধৰে চিত
............................
স্বৰ্ণ জয়ন্তীৰ অন্তিম ক্ষণত
কৰিলো আমি অঙ্গীকাৰ
তোমাৰ জ্যোতিৰে কৰিম আমি
জ্ঞানৰ মন্দিৰ জ্যোতিস্মান
................................
তোমাৰ কোলাতে ফুলিল আজি
কত শত দল
জ্ঞানৰ গৰিমা বিলাই তুমি
জগালা আজি মনোবল
....................................
তোমাৰ কোলা সুদা কৰি
হ'ল সোঁৰৰণি
আজিৰ এই শুভক্ষণতে................
জনাও অশ্ৰু অঞ্জলী
ৰাখি গ'ল স্মৃতি আজি বিনন্দীয়া ধৰণীত....

ল'ৰা-ছোৱালীক কেৱল ভদ্ৰলোক বা ভদ্ৰমহিলা হ'বলৈ নিশিকাই শিকাব লাগে প্ৰকৃত পুৰুষ বা মহিলা হ'বলৈ।

— হাৰ্বাট স্পেন্সাৰ

# এজাৰ ভাঙি ভাঙি কঢ়িয়াই আনিলোঁ পোহৰৰ আকৃতি

বিৰিঞ্চি ৰাভা
প্ৰাক্তন ছাত্ৰ

এদিন
তাত বন মানুহবোৰে কিৰিলি পাৰি পাৰি ঘূৰি ফুৰিছিল
গুহাৰ পৰা ওলাই আহি কান্দিছিল শিলৰ মানুহ
ইডাল-সিডাল ইঠাল-সিঠাল বগাই ওলমি আছিল হলৌবান্দৰ
এন্ধাৰত ডুব গৈ আছিল ৰাতিৰ জোন
জঁটা শিপাবোৰ বাঢ়ি আহি আহি ঢাকি ধৰিছিল বাট
কাল ফেঁচাই কুৰুলিয়াই জয়াল কৰি তুলিছিল ৰাতিৰ এজাৰ
বেজ ককাই ঢাৰা-ঢুপাত বহি তন্ত্ৰ-মন্ত্ৰৰ জোলোঙাখন খুলি
কৰিছিল জঁৰা-ফুকা

তথাপি
পোহৰ পিয়াসী এজাক মানুহে
কেঁথা কানিৰ জোঁৰ লৈ লৈ আগবাঢ়িল এন্ধাৰৰ মাজে মাজে
কপালৰ ঘাঁম মাটিত পেলাই অৰণ্যবোৰ কাটি
হাবি-বন চাঁচি চুৰুকি তাতে সাজি দিছিল এটি ঘৰ
য'ত উজ্বলি উঠিছিল তেজৰঙা সূৰ্য শিঙা
যাৰ পোহৰত
মানুহবোৰ থিয় দঙা দিছিল
ঠন ধৰি উঠিছিল অঘৰী সময়
তাৰ পোহৰতে হাত-ভৰি জোকাৰি এঙামৰি দিছিল মানুহবোৰ
আৰু লহ পহকৈ বাঢ়ি আহিছিল প্ৰজ্ঞাৰ পৰিধি

আজি
তাৰ মানুহবোৰ,
গ্ৰীক দেৱতা জিউচৰ দৰে উৰি উৰি চুই চাইচে
মেঘৰঙা আকাশৰ নদীময় লয়লাস

আজি
তাৰ ঢৌশালি বতাহত হালি-জালি নাচিছে পাটমুগী গাভৰুৰ
স্বৰ্ণাভ ছুলি
নাহৰ গছৰ তলে তলে শুনিছোঁ উদগ্ৰ বক্ষৰ হাঁহিৰ খিল্‌খিলনি

অ, জাৰাপাৰা গাঁওৰ মোৰ বকুৰ প্ৰিয় নালন্দা
তোমাৰ কণ্ঠৰ পৰাই শিকিলো মই মাটি আৰু মানুহৰ অমল
গান
তোমাৰ প্ৰজ্ঞা পান কৰি কৰি মই হ'লোঁ নীলা নদীৰ কবি
তোমাৰ বুকুৰ অমৃত পি খাই খাই মই হ'লো তোমাৰ আয়ুৰে
আয়ুষ্মান
আৰু ঢৌশালি বতাহজাকৰ লহৰে লহৰে বজাব পৰা হ'লো
সৰগৰ
অমিয়া সুহুৰি
আৰু
এন্দাৰ ভাঙি ভাঙি কঢ়িয়াই লৈ আহিলো পোহৰৰ আকৃতি।

---

*Poetic truth has a human value to which scientific truth can not possibly lay claim.*

**- Hudson**

# স্বৰ্ণজয়ন্তী স্মৃতিচাৰণ

ড° ৰেখা চেত্ৰী
প্ৰাণীবিজ্ঞান বিভাগ

কাৰ ক'ত কেতিয়া হয় কেনেদৰে
জীৱনত সংযোগ;
কোনেও কাহানিও ক'ব নোৱাৰে ডাঠি
এনেবোৰ যোগ বিয়োগ।
নাজানিছিলোঁ সেয়ে আছে যে মোৰো সংযোগ
বকো নামৰ ঠাইৰ স'তে;
তথাপিও সময়ৰ পৰিক্ৰমাত মই
জড়িত হ'লো বকোৰ স'তে।
বকো মহাবিদ্যালয়ত দুই হাজাৰ দুই চনত
নিযুক্তি পোৱাৰ সূত্ৰে;
আৰম্ভ কৰিছিলোঁ মোৰ কৰ্মজীৱনৰ
প্ৰাণীবিজ্ঞানৰ প্ৰৱক্তা ৰূপে।
জীৱনৰ এঘাৰটি সোণোৱালী বছৰ
পলকতে বাগৰি গ'ল;
প্ৰৱক্তা জীৱনত সৰু-বৰ মুল্যবান
বহুত অভিজ্ঞতা হ'ল।
কিযে আনন্দ এইবেলি বকো মহাবিদ্যালয়ে
ভৰি থলে পঞ্চাশ বছৰত;
আৰু লগে লগে পদাৰ্পণ কৰিলে
স্বৰ্ণ জয়ন্তী বৰ্ষত।
পঞ্চাশ বছৰ আগৰ এক শুভ লগনত
কামৰূপৰ বকো অঞ্চলত;
জনৈক জ্ঞানী-সুধী সমাজকৰ্মী মিলি
বহিছিল আচলতে।
সকলোৱে দিলে মত কৰিব লাগে এখন
মহাবিদ্যালয় স্থাপন;
তেহে হ'ব স্থানীয় ছাত্ৰ-ছাত্ৰী সমূহৰ
বৌদ্ধিক উন্নয়ন।
মহান এই উদ্দেশ্যক সাৰথি কৰি লৈ
আগবাঢ়িছিল তেওঁলোকে;
ফলত ১৯৬৪ চনত বকোত গঢ় লৈছিল
জ্ঞানৰ মন্দিৰ এটিয়ে।
পণ্ডিত নেহৰুৰ নামেৰে মন্দিৰটিৰ নাম থ'লে
জৱাহৰলাল নেহৰু মহাবিদ্যালয়;
বাহিৰে ভিতৰে চমুকৈ সকলোৱে অৱশ্যে
জে.এন. কলেজ বুলিহে কয়।
প্ৰতিষ্ঠাৰ পিছত আৰম্ভ হৈছিল পোনতে
কলা শাখাৰ শ্ৰেণী;
পিছলৈ ১৯৮৬ চনত বিজ্ঞান শাখৰো
কৰা হৈছিল আৰম্ভণি।
অসমীয়া, ইংৰাজী, শিক্ষা, ইতিহাস
আৰু ৰাজনীতি বিজ্ঞান;
অৰ্থনীতি, বড়ো, ভূগোল, নৃতত্ব
এইবোৰ কলা বিভাগ।
বিজ্ঞানৰ মূল বিষয় প্ৰাণী বিজ্ঞান, গণিত
আৰু ৰসায়ন বিদ্যা;
উদ্ভিদ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান মিলি
পৰিপূৰ্ণ বিজ্ঞানৰ শাখা।
সময়ৰ সোঁতত এনেদৰে ক্ৰমান্বয়ে
পালা তুমি নতুন ৰূপ;
গ্ৰাম্য অঞ্চলত উচ্চ শিক্ষাৰ প্ৰসাৰ
হ'ল তোমাৰ ব্ৰতস্বৰূপ।
আহিল আৰু গ'ল কত ছাত্ৰ-ছাত্ৰী
সময়ৰ গতিত;
তুমি পৰিণত হ'লা জীৱন গঢ়াৰ এক
উৰ্বৰ কাঠিয়াতলীত।
সহস্ৰজনে আহি চামে চামে জিৰালে
তোমাৰ জ্ঞান বৃক্ষৰ ছাঁত;
তোমাৰ বুকুতে আশ্ৰয় কৰি সিঁহতে
বুলিলে জীৱনৰ বাট।
আজিও দুৰন্ত যৌৱন বুকুত বান্ধি তুমি
কৰি আছা যাত্ৰা;
জীৱন-যৌৱনৰ সপোন দিঠক কৰা
সবাৰে একে কামনা।
পঞ্চাশে গৰকিলেও চিৰ-যৌৱনা তুমি
তৰুণ তোমাৰ হৃদয়।
তোমাৰ হৃদয়ৰ জ্ঞানৰ বন্তিগছি
তিৰবিৰাই থাকক।
এইখিনিকে কৈ মোখানি মাৰিলোঁ
স্মৃতিচাৰণৰ দস্তাবেজ;
কৈ থাকো মানেও হেঁপাহ নপলায়
জয়তু জে.এন. কলেজ।

# Department of Anthropology at a glance

In the year 1979 introduced the subject Anthropology in Jawaharlal Nehru College, Boko. The Department was accorded permission by Gauhati University in the year 1986 as general course of T.D.C. It is the 3rd college in Assam introducing Anthropology under Gauhati University. Major course started since 1993-94 session.

At the initial stage of the department when the Department of Anthropology came into operation at the college, Sri Paramesh Dutta became the founder teacher in the year 1979 and served the department till 1980. Sri Bhabesh Ch. Goswami M.Sc joined the department. In 1980 and retired on 30.11.2013.Ms. Nilanjana Sharma M.A. served in the department from 1994 to 1997. Mr.Biren Barman M.Sc. Joined in the department in 1998 served till 2002.

The present faculty members of the department of Anthropology

1.Dr. Joyshri Bhutan, M.A.Ph.D. (HoD)
Date of joining 1982
2.Mrs. Binaya Devi, M.Sc.
Date of joining 1983
3 Dr.Mahananda Das, M.Sc. Ph.D (Contratual)
Date of joining 2006
4. Nripen Ch. Sarania, M.A.(Contractual)
Date of joining 2013

Anthropology as a course of study is being taught both in Arts and Science streams from H.S. Classes to degree classes. Date of affiliation of Major Course Part- I is 24-02-1996 and general course in T.D.C is 28-02-1986. Date of permission is 12-06-1993. The major part II is affiliated on 28-09-1996.

In addition to the regular classes the students of the department go for field survey to the villages of different Caste & Tribal population. Importance is given to socio-economic as well as socio-cultural life of the people. Talks/ seminars are arranged from time to time by inviting resource persons in the subject and students & teachers effectively participate in the talks/seminars to improve and upgrade their knowledge.

**Museum:**

The department has a minor museum where some specimens are preserved. Different types of tribal dresses and ornaments, technological specimens, stone tools are depicted in the museum. Students also collected some specimens from various localities and are preserved carefully in the museum. Some interested persons donated some valuable objects to the museum and carefully preserved. The department now feels the necessity of a well equipped room for the museum.

**Library:**

The department has a small library with text books, journals etc. Students borrowed books from the departmental library and name of the borrowers are recorded.

**Anthropological society:**

The department has a society named Anthropological society with the faculty members and the students of Anthropology since 2004. The main objective of the society is to popularise the subject in the society.

**The objectives of the society are:**

(a) To popularise Anthropology as a subject by organising seminar, workshop, lecture, exhibition and by educational tour to anthropologically important places etc.

(b) To explore various aspects of life and culture of the population groups of greater Boko area in specific, and of Assam at large through field study.

(c) To acquaint the students of the Department with anthropological resources of Assam at large and if possible with the other parts of North East.

**Tribal study centre:**

'A Tribal Study Centre' has been opened under the guidance of Anthropology department in the year 2011. This centre conducted yearly seminar, talk, by the initiative of the department.

**The main objectives are :**

To study socio-economic and cultural aspects of the tribal people

- To find out the variations among different groups
- To study different custom and habits prevailing amongst them
- To create an environment for eradication of superstitions in the society
- To organized Aware Generation Program through young generations
- To create awareness of different government incentive to the tribal people
- To find out linkage between environment and livelihood

**PROGRAM UNDERTAKEN SO FAR**

A study was done on socio-economic life among the Hajong of Pakharapara village, Boko.

- A study was undertaken on various sects of Rabhas in the area
- A study was made on rites and rituals of the Bodos of the village Bhogdabari Boko
- A study was undertaken on "Jarapara Gaonr Rabha Sakalor Samajic aru Arthanoitic Abastha".
- Traditional household practices and their ecological significances : A study among the ethnic women folk of Boko area.
- A popular talk on ' prospect and development of the tribal communities of Boko –Block" was delivered by Dr. Farzana Begum, research officers, Assam Institute of Research for Tribal and Scheduled Castes, Khanapara, Guwahati, on 04-04-2014.

The study centre is going to setup a Data Bank on the works.

**Students performance:**

The students from our department have already got admitted in M.A in Gauhati University & Cotton College and various other Universities and institution in different parts of the country.

The student having Anthropology engaged themselves in various services like Colleges, B.S.F, S.S.B, C.R.P,F, Banking, teacher, Business etc.

**Departmental Publication:**

The department has published a wall magazine name 'Evolution' regularly since 2010-2011 sessions. And the magazine achieved first prize for three consecutive years.

**Teachers' performances:**

1. Name: Dr. Joyshri Bhuyan M.A. Ph.D. Ho D
(Associate Professor, Department of Anthropology and Vice-Principal)
Presented Research Paper in Seminar/ Conference/ Workshop: 10
Publication in International Journal : 2
Publication in National Journal : 1
Chapters published in Books with ISBN :1


2. Name: Mrs. Binaya Devi, M.Sc.
(Associate Professor)
Presented Research Paper in Seminar/ Conference/ Workshop: 4
Publication in National Journal : 1
Chapter in Books with ISBN: 3

3. Name: Dr. Mahananda Das. M.Sc. Ph.D.
Asstt. Professor (contractual)
Research project : 04
Presented Research Paper in Seminar/ Conference/ Workshop: 12
Papers Published in International Journals : 1
Publication National Journal : 3
Chapter in Books with ISBN : 1

4. Name : Mr.Nripen Ch. Sarania
Asstt. Professor(contractual)
Completed Project : 1
Presented Research Paper in Seminar/ Conference/ Workshop: 1

**Prepared by Faculty Members,**
**Dept. of Anthropology**

# DEPARTMENT OF ASSAMESE AT A GLANCE



**Introduction:**

Assamese Department was established in the year 1964 with a view to spread the light of higher education in the regional language. The subject was selected on the basis of its significance as the main regional language of the state. The major Course of the subject was started with due permission of Gauhati University after twelve years from its inception. The main aim and objective of the department is to grow interest and also impart higher education in the subject for its growth and development.

**Courses offered:**

The Department offers three years Degree semester course in both Major and General study as per the prescribed syllabi of the Gauhati University. The Department also offers HS course under Assam Higher Secondary Education Council.

**Ex- Faculty Members:**

Sri Basanta Kumar Dutta was the founder teacher of the Department and he served in the Department till his retirement. Mr. Dutta was an active men in the field of literature. Later on he became the Vice-Principal and Principal of the College. The Department flourished with the great endeavor of Mr. Dutta and his colleagues. In its long history, several teachers had already left the Department by offering their immense services in the growth and development of the Department. Among them, Late M.C. Kakati was incredible as he was a good organizer of sports and other social activities. During his time college football team achieved a very good position in the inter college competition of Gauhati University. Late Kakati was also the officer of NCC and NSS of the college. Sri D.K. Baruah was another credible teacher of the Department and he also became the Vice-Principal and retired as Principal In-charge of the college. Sri H.C. Baruah (1965-65), Mrs. Nijara Das (1977-78), Dr. K.S. Deka (1978-78), Dr. L. Baruah (1978-79) also served in the Department.

**Profile of the Present Faculty :**

1. Mr. Jatin Ch. Medhi, M.A
2. Dr. Kamaleswar Thakuria, MA, M.Mus., Ph.D. (HoD)